উল্লাস

সংক্ষিপ্ত আদিপাঠ

উল্লাস- নৱ ভাৰত সাক্ষৰতা কার্যসূচী



ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

উল্লাস

সংক্ষিপ্ত আদিপাঠ

উল্লাস- নৱ ভাৰত সাক্ষৰতা কার্যসূচী

ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

আমাৰ কিতাপ

নাম _____

ঠিকনা _____

_____

ফোন নম্বৰ _____

ULLAS- SANGKHIPTA ADIPATH: A concise primer for ULLAS-Nav Bharat Saksharta Karyakram (New India Literacy Programme), originally developed by Cell for National Centre for Literacy, NCERT, adopted and adapted into Assamese by State Centre for Literacy (SCL),Assam at State Council of Educational Research and Training(SCERT), Assam and published by State Literacy Mission Authority (SLMA),Assam

Free Textbook

ALL RIGHTS RESERVED: No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews) may be made without written authorization from the SCERT, Assam.

©: State Centre for Literacy (SCL),State Council of Educational Research and Training,Assam, Guwahati-781019

First Edition: 2023
Revised Second Edition: 2024

Original concise primer ULLAS developed by: Cell for National Centre for Literacy, NCERT, New Delhi

Assamese version adopted and adapted by: State Centre for Literacy (SCL),State Council of Educational Research and Training, Assam, Guwahati-781019

Published by: State Literacy Mission Authority (SLMA)

Available in : DIKSHA Platform and made for free distribution

পাতনি

"জন জন সাক্ষৰ" - এক বিশেষ শ্লোগান সাৰোগত কৰি কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰে ৰাষ্ট্রীয় শিক্ষা নীতি-২০২০ৰ আধাৰত সকলোৰে বাবে শিক্ষা নিশ্চিত কৰিবলৈ এক জন আন্দোলন আৰম্ভ কৰিছে। এই কার্যসূচীৰ নামেই হৈছে উল্লাস- নৱ ভাৰত সাক্ষৰতা কার্যসূচী। পোন্ধৰ বছৰ বয়সৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠজনলৈকে সকলোৱে যাতে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক জ্ঞান আয়ত্ত কৰি অবিৰত শৈক্ষিক সুবিধা লাভ কৰে, তাৰ বাবে এই কার্যসূচীত লক্ষ্য নির্ধাৰণ কৰা হৈছে। তদানুসাৰে তেওঁলোকে যাতে ব্যক্তিগত, সামাজিক তথা বৃত্তিগত জীৱনত নতুন গতিশীলতাৰে আগবাঢ়ি দেশৰ সেৱাত অধিক অৱদান যোগাব পাৰে তাৰ বাবেও এক দীর্ঘম্যাদী চিন্তন নৱভাৰত সাক্ষৰতা কার্যসূচীত প্রতিফলিত হৈছে। ইতিমধ্যে পূর্বৰ প্রাপ্তবয়স্ক শিক্ষা অভিধাটোতকৈ সকলোৰে বাবে শিক্ষাৰ ধাৰণাটো অধিক সুদৃঢ় কৰা হৈছে যাতে এই কার্যসূচীয়ে কোনো বয়সভিত্তিক প্রতিকূলতাৰ সৃষ্টি নকৰে।

ৰাষ্ট্রীয় শিক্ষানীতি-২০২০ৰ আধাৰত এই উল্লাস-নৱ ভাৰত সাক্ষৰতা কার্যসূচীয়ে পাঁচটা বিশেষ দিশক প্রতিনিধিত্ব কৰিছে, যেনে- বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা, জীৱন কৌশল, কাৰিকৰী জ্ঞানৰ বিকাশ, বুনিয়াদী তথা প্রাথমিক শিক্ষা আৰু অবিৰত শিক্ষা। গতিকে এই উদ্দেশ্য আগত লৈ অসম চৰকাৰৰ ৰাজ্যিক সাক্ষৰতা অভিযান কর্তৃপক্ষৰ তৰফৰ পৰা নৱ ভাৰত সাক্ষৰতা কার্যসূচীৰ ৰূপায়ণ আৰম্ভ কৰা হৈছে। একেদৰে ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, অসমত প্রতিষ্ঠা কৰা ৰাজ্যিক সাক্ষৰতা কেন্দ্রৰ তৰফৰ পৰা শৈক্ষিক কামকাজসমূহ আগবঢ়াই নিয়া হৈছে। ইয়াৰে প্রথম খোজ হিচাপে শিকাৰুসকলৰ সহজ শিক্ষণৰ বাবে ৰাষ্ট্রীয় শিক্ষা-গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, নতুন দিল্লীৰ ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্রৰ কোষৰ পৰা প্রকাশ কৰি উলিওৱা **'উল্লাস'** শীর্ষক আদিপাঠৰ আলম লৈ অসমীয়া ভাষাত **'উল্লাস'** শীর্ষক আদিপাঠ চাৰিটা ভাগত প্রকাশ কৰা হৈছে। তাৰেই সমান্তৰালভাবে আমি **'উল্লাস'** আদিপাঠকেইখনৰ এটি সংক্ষিপ্ত সংস্কৰণো প্রকাশ কৰি উলিয়াইছো। **'উল্লাস'**-সংক্ষিপ্ত আদিপাঠখনত বর্ণমালা জ্ঞান, সাংখ্যিকতাৰ পৰা আৰম্ভ কৰি ব্যৱহাৰিক জীৱনৰ অর্হতাসমূহলৈকে সকলোখিনি সংক্ষিপ্তৰূপত সামৰি লোৱা হৈছে। আশা কৰা হৈছে স্বেচ্ছাসেৱী শিক্ষকসকলে শিকাৰুসকলক অভিজ্ঞতালব্ধ শিক্ষা পদ্ধতিৰে এই পাঠসমূহ তথা শিকন ফলাফলসমূহ আয়ত্ত কৰাত সহায় কৰিব। যথোপযুক্ত নির্দেশনাসমূহো এই আদিপাঠত সংযোগ কৰা হৈছে যাতে শিকাৰুসকলক উচিতভাবে জড়িত কৰাব পৰা যায়।

যথার্থতে এয়া এক সময়ৰ দাবী যে আমাৰ দেশৰ প্ৰতিজন নাগৰিকে শৈক্ষিক উত্তৰণৰ জৰিয়তে কৌশলভিত্তিক অৰ্থনীতিলৈ অৱদান যোগাব পাৰে। উক্ত উদ্দেশ্যৰ সাকাৰ ৰূপ দিবলৈ অসমৰ মাননীয় মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত অসম চৰকাৰ যত্নৱান হৈছে। মাননীয় শিক্ষামন্ত্রী ডা° ৰণোজ পেগু মহোদয়ে বিষয়ামণ্ডলী তথা অগ্রগামী কৰ্মীসকলৰ সহযোগত উল্লাস- নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী সুন্দৰকৈ আগবঢ়াই নিছে। এইক্ষেত্রত ৰাজ্যিক সাক্ষৰতা কেন্দ্র গঠন কৰি কাৰ্যসূচীটোৰ শৈক্ষিক কৰ্ম সম্পাদন কৰিবলৈ আমাক তেখেতসকলে আগবঢ়াই দিছে। কাৰ্যসূচীৰ ৰূপায়ণ কৰাৰ ক্ষেত্রত অনানুষ্ঠানিক আৰু প্রাপ্তবয়স্ক শিক্ষা সঞ্চালকালয়ে ৰণনীতি প্রস্তুত কৰিছে। একেদৰে জিলা পৰ্যায়ত জিলা আয়ুক্তৰ তত্ত্বাৱধানত শিক্ষা বিষয়াসকলে জিলা শিক্ষা আৰু প্রশিক্ষণ প্রতিষ্ঠান তথা শিক্ষাখণ্ডসমূহৰ সৈতে সংঘবদ্ধ প্রচেষ্টাৰে ইতিমধ্যে আগবাঢ়িছে। আমি নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচীৰ সফলতা কামনা কৰিছো আৰু **'উল্লাস'** সংক্ষিপ্ত আদিপাঠ শিকাৰুসকললৈ আগবঢ়াই দিছো।

ড° নিৰদা দেৱী
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

স্বেচ্ছাসেৱী শিক্ষক-শিক্ষয়িত্রীসকললৈ দুআষাৰ

বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা সকলোৰে বাবে শিক্ষাৰ এক গুৰুত্বপূৰ্ণ অংগ। পোন্ধৰ বছৰ আৰু ততোধিক বয়সৰ যিসকল শিকাৰু অভিজ্ঞ কিন্তু বৰ্ণমালাৰ জ্ঞান নাই বা নিৰক্ষৰ সেইসকল শিকাৰুক সাক্ষৰ কৰি তোলাই ইয়াৰ মূল উদ্দেশ্য। উল্লাস- নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচীৰ অধীনত লিখা-পঢ়া আৰু সংখ্যাৰ দক্ষতা সেইসকল শিকাৰুৰ মাজলৈ লৈ যোৱা হ'ব যিসকলে কোনো বিশেষ কাৰণত স্কুলীয়া শিক্ষা গ্ৰহণ কৰাত অসমৰ্থ হ'ল বা অব্যাহত ৰাখিব নোৱাৰিলে। সেয়ে, উল্লাস- নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচীৰ জৰিয়তে সামাজিক চেতনা কেন্দ্ৰসমূহ প্ৰতিষ্ঠা কৰি শিকাৰুসকলক সামৰি ল'বলৈ বিভিন্ন উপায়েৰে চেষ্টা কৰা হৈছে। আপোনাৰ সংস্পৰ্শলৈ অহা নিৰক্ষৰ শিকাৰুসকলক লিখোৱা আৰু পঢ়োৱাৰ ক্ষেত্ৰত তেওঁলোকৰ বয়সৰ ভিন্নতা, পাৰ্শ্বপট, জীৱিকাসমূহ মন কৰাটো অত্যন্ত জৰুৰী।

আমি মনত ৰাখিব লাগিব যে এই শিকাৰুসকল বিচাৰবুদ্ধি সম্পন্ন লোক আৰু তেওঁলোকৰ জীৱন-যাপনৰ দীৰ্ঘ অভিজ্ঞতা আছে। জীৱনৰ বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগতে সেইবোৰৰ সৈতে খাপ খুৱাব পৰা দক্ষতাও তেওঁলোকৰ আছে। সম্ভৱতঃ এইসকল লোকৰ অধিকাংশই ঘৰৰ বাহিৰত কোনো কামত নিয়োজিত। আমাৰ লক্ষ্য হৈছে তেওঁলোকৰ দৈনন্দিন জীৱন ধাৰণৰ বাবে সাক্ষৰতা/পঠন আৰু গণিতৰ জ্ঞান-বোধ সহজ কৰি তোলা যাৰ জৰিয়তে তেওঁলোকে নিজৰ অভিজ্ঞতা আৰু বোধ (দক্ষতা) গভীৰ আৰু সম্প্ৰসাৰিত কৰিব পাৰিব। লগতে এই দক্ষতাসমূহ তেওঁলোকে জীৱনৰ বিভিন্ন পৰিস্থিতিত ব্যৱহাৰ কৰিব পাৰিব। ইয়াৰ দ্বাৰা তেওঁলোকৰ আত্মবিশ্বাস নিশ্চিতভাৱে বৃদ্ধি পাব।

আপোনালোকে মন কৰিব যে শিকাৰুসকলৰ অসমীয়া ভাষা বুজা আৰু কথনৰ ক্ষেত্ৰত সক্ষমতা আছে যদিও আনুষ্ঠানিকভাৱে পঢ়াৰ সুযোগৰ অভাৱত জীৱন ধাৰণৰ বহু ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱাটো প্ৰায় নিশ্চিত। কিছুমান শিকাৰুৰ বৰ্ণমালাৰ কিছু জ্ঞান তথা মৌখিকভাৱে হিচাপ কৰাৰ দক্ষতা থাকিব পাৰে বা হিচাপ কৰাৰ অনানুষ্ঠানিক সুযোগ পাব পাৰে; কিন্তু সংখ্যা চিনাক্ত কৰাত আৰু বিভিন্ন গাণিতিক সমস্যা সমাধান কৰাত অসুবিধা থাকিব পাৰে।

পাঠসমূহত সংযুক্ত ছবি, গল্প, কবিতা বা আন যিকোনো আকৰ্ষণীয় সামগ্ৰীৰ জৰিয়তে অসমীয়া ভাষাৰ কিছুমান নতুন আখৰ, শব্দ, বাক্য পঢ়িবলৈ আৰু লিখিবলৈ শিকোৱা হৈছে। এই পঠন সামগ্ৰীৰ জৰিয়তে সংখ্যা জ্ঞান আৰু গাণিতিক দিশৰ সমস্যা সমাধানৰ শিক্ষা দিয়া হৈছে। আমি যদি শিক্ষণীয় বিষয়সমূহৰ ক্ষেত্ৰত গুৰুত্ব দিব বিচাৰো তেন্তে আমি অতিৰিক্ত স্থানীয় সমল ব্যৱহাৰ কৰিব পাৰোঁ। ইয়াৰ দ্বাৰা আমি শিকাৰুসকলৰ স্তৰ, ক্ষমতা আৰু প্ৰয়োজনীয়তাক মনত ৰাখি পঠন সামগ্ৰী প্ৰস্তুত কৰিব পাৰো।

প্ৰস্তাৱনাত দিয়া ছবিবোৰৰ সম্পূৰ্ণ ব্যৱহাৰ কৰক। ছবিসমূহে শিকাৰুসকলক অনুমান কৰি লিখা-পঢ়া শিকাত সহায় কৰিব। ছবিবোৰে সমগ্ৰ এটা প্ৰক্ৰিয়া বা পৰিঘটনাক চিহ্নিত কৰিব পাৰে। ছবিয়ে শিকাৰুসকলক যোগাযোগ কৰিবলৈ আৰু অভিজ্ঞতাসমূহ ভাগ-বতৰা কৰিবলৈ সুযোগ আগবঢ়াব।

স্বেচ্ছাসেৱী শিক্ষক হিচাপে এই দিশসমূহ জনাটো গুৰুত্বপূৰ্ণ-

- মন কৰিব যে সাক্ষৰ হোৱাৰ ক্ষেত্ৰত আমি সহায় কৰিবলৈ যোৱা শিকাৰুসকলৰ পোন্ধৰ বছৰ বা তাতকৈ অধিক। তেওঁলোকৰ অভিজ্ঞতাৰ ভঁৰাল আমাতকৈ বেছি হোৱাটোও অস্বাভাৱিক নহয়। গতিকে স্বেচ্ছাসেৱী শিক্ষকসকলে তেওঁলোকৰ অভিজ্ঞতাক সন্মান জনোৱাটো অতি দৰকাৰী।
- শিকাৰুসকলে তেওঁলোকৰ দৈনন্দিন কাম-কাজ নিজেই সম্পাদন কৰে। গতিকে তেওঁলোকৰ কামৰ দক্ষতাৰ শলাগ লওক।
- যেতিয়া তেওঁলোকে জীৱনটো আৰু অধিক আগবঢ়াই নিবৰ বাবে এই শিক্ষাৰ (লিখা-পঢ়া আৰু সাংখ্যিক জ্ঞান) গুৰুত্ব বুজি উঠিব, তেতিয়া ইয়াক জীৱনৰ বাবে উপযোগী বুলি বিবেচনা কৰিব আৰু তেতিয়াই তেওঁলোকে শিক্ষাগ্ৰহণৰ প্ৰতি আগ্ৰহী হ'ব। আপোনাৰ শিকাৰুসকলক যথাসম্ভৱ ভালদৰে সাজু কৰক যাতে তেওঁলোকে যি অধ্যয়ন কৰি আছে তাৰ পৰা লাভৱান হ'ব পাৰে। ইয়াৰ পৰা আমিও বহু কথা শিকিম আৰু আত্মবিশ্বাসো বৃদ্ধি পাব। গতিকে, আমি শিকাৰুসকলক সম্পূৰ্ণ প্ৰস্তুতি, কঠোৰ পৰিশ্ৰম আৰু শ্ৰদ্ধাৰে শিকাব লাগিব। এই আদিপাঠখন অসমীয়া ভাষাজ্ঞান আৰু সাংখ্যিক জ্ঞানৰ এক সংহত ৰূপ। ইয়াৰ প্ৰতিটো পাঠত অসমীয়া ভাষা জ্ঞানৰ দক্ষতা আৰু গাণিতিক দক্ষতা বিকাশৰ বাবে যথেষ্ট সুযোগ আছে।

'উল্লাস' - সংক্ষিপ্ত আদিপাঠখনিৰ আৰম্ভণিতেই শিকাৰুসকলৰ নিজৰ নাম, ঠিকনা আৰু যোগাযোগৰ তথ্য (ফোন নম্বৰ) লিখিব পৰাকৈ যথেষ্ট ঠাই দিয়া হৈছে। শিকাৰুসকলে হয়তো নিজৰ নাম লিখিব নোৱাৰিব, গতিকে শিকাৰুসকলক স্বেচ্ছাসেৱী শিক্ষকসকলে তেওঁলোকৰ নামসমূহ লিখি দিয়া উচিত, তেওঁলোকক প্ৰয়োজনীয় তথ্য যেনে ঠিকনা, ফোন নম্বৰ আদি লিখি দেখুৱাওক আৰু তেওঁলোকক চাই চাই লিখিবলৈ সহায় কৰক।

'উল্লাস'- সংক্ষিপ্ত আদিপাঠখনৰ শেষত অসমীয়া ভাষাৰ বৰ্ণমালাখন দিয়া হৈছে। ইয়াৰ উদ্দেশ্য হৈছে শিকাৰুসকলক অসমীয়া বৰ্ণমালাৰ আখৰৰ সৈতে পৰিচয় কৰাই দিয়া আৰু সোঁৱৰাই থকা। কিন্তু অসমীয়া বৰ্ণমালাৰ আখৰৰ সৈতে পৰিচয় কেৱল দৈনন্দিন জীৱনৰ বিষয়বস্তুৰ পৰাহে আৰম্ভ কৰিব। এবাৰ আখৰবোৰ চিনাকি কৰাই ল'ব পাৰিলে শিকাৰুসকলক আখৰ জোঁটনি, শব্দ গঠন, বাক্য বিন্যাস আদি ক্ৰমান্বয়ে শিকাই ল'ব পৰা যায়। যিসকল শিকাৰুৰ ইতিমধ্যে কিছু বৰ্ণমালাৰ দক্ষতা আছে তেওঁলোকক প্ৰথমে অসমীয়া বৰ্ণমালাৰ চাৰ্ট আদি ব্যৱহাৰ কৰিবলৈ দিব পাৰে।

বৰ্ণমালাৰ চাৰ্ট নিয়মিত ৰূপত ব্যৱহাৰ কৰিলে শিকাৰুসকলৰ পঠন,লিখন আৰু সাংখ্যিক দক্ষতা বৃদ্ধি হ'ব। তেওঁলোকে নিজে অনুমান কৰি আখৰ চিনি পাবলৈ, পঢ়িবলৈ আৰু লিখিবলৈ এই অভ্যাসৰ পৰাই শিকিব।

অসমীয়া বর্ণমালা চিনাক্তকৰণক কেন্দ্ৰ কৰি ভাষা খেলৰ আয়োজন কৰিব পাৰি। উদাহৰণস্বৰূপে, অসমীয়া বর্ণমালাৰ এটা আখৰেৰে আৰম্ভ কৰি শব্দ কোৱা, এটাতকৈ অধিক আখৰ ব্যৱহাৰ কৰি শব্দ পঢ়া আৰু জোঁটাবলৈ দিয়া ইত্যাদি। এটাতকৈ অধিক আখৰ/ধ্বনি ব্যৱহাৰ কৰি শব্দ পঢ়া আৰু লিখাৰ দৰে খেলবোৰো সহায়ক হ'ব পাৰে।

অসমীয়া বর্ণমালাৰ আখৰবোৰক বর্ণ শৃংখল হিচাপে ব্যৱহাৰ কৰি শব্দ গঠন প্ৰক্ৰিয়াক খেলৰ ৰূপতো পৰিচালনা কৰিব পাৰি। ইতিমধ্যে শিকি অহা আখৰ/ স্বৰ চিহ্ন এই বর্ণ শৃংখলত ল'ব পাৰে।

তদুপৰি ব্যৱহাৰিক জীৱনৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শিকাৰুসকলক ইংৰাজী তথা ৰোমান সংখ্যাবোৰৰ অভ্যাস কৰোৱা হৈছে। পাঠত য'ত য'ত সংখ্যা ব্যৱহাৰ হৈছে, তাত আপোনালোকে সংখ্যাবোৰ ইংৰাজীতে দেখা পাব। লগতে অসমীয়া সংখ্যাজ্ঞানো নিশ্চিত কৰিবলৈ সংখ্যাৰ তালিকা এখন এই আদিপাঠতে সংযুক্ত কৰা হৈছে। আখৰ-জোঁটনিৰ ক্ষেত্ৰত বিশেষকৈ 'চন্দ্ৰকান্ত অভিধান' আৰু 'অসমীয়া হেমকোষ'কে আধাৰ স্বৰূপে গ্ৰহণ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰিব।

স্বেচ্ছাসেৱী শিক্ষক-শিক্ষয়িত্ৰীসকললৈ আমাৰ ক'ব লগীয়া এইখিনিয়েই।

ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ

সঞ্চালক

ড° নিৰদা দেৱী, সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

সদস্যসকল

লক্ষ্মীকান্ত দাস, অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
বৰষা শইকীয়া, যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
মনস্বী গোহাঁই, প্ৰশিক্ষণ পৰিদৰ্শক, ৰাজ্যিক-শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
ড° শিৰোমণি ভূঞা, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ, মিৰ্জা
ড° হিমাংশু গোস্বামী, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং, দলগাঁও
ড° ইমন বৰদলৈ, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং, দলগাঁও
মন্দাকিনী ডেকা, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট, তিতাবৰ
চয়নিকা শইকীয়া, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নগাঁও, চামগুৰি
ড° অভিমন্যু দত্ত, প্ৰৱক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ, বিশ্বনাথ চাৰিআলি

'উল্লাস'- সংক্ষিপ্ত আদিপাঠ (অসমীয়া মাধ্যম)
প্রস্তুতকৰণৰ বিভিন্ন পর্যায়ত জড়িত ব্যক্তিসকল

উপদেষ্টা

ড° নিৰদা দেৱী, সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, অসম

'উল্লাস'- সংক্ষিপ্ত আদিপাঠ প্রস্তুতকৰণ কর্মশালাত অংশগ্রহণ কৰা ব্যক্তিসকল

মনস্বী গোহাঁই, প্রশিক্ষণ পৰিদর্শক, ৰাজ্যিক-শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, অসম
ড° শিৱোমণি ভূঞা, প্রৱক্তা, জিলা শিক্ষা আৰু প্রশিক্ষণ প্রতিষ্ঠান, কামৰূপ, মির্জা
ড° হিমাংশু গোস্বামী, প্রৱক্তা, জিলা শিক্ষা আৰু প্রশিক্ষণ প্রতিষ্ঠান, দৰং, দলগাঁও
ড° ইমন বৰদলৈ, প্রৱক্তা, জিলা শিক্ষা আৰু প্রশিক্ষণ প্রতিষ্ঠান, দৰং, দলগাঁও
মন্দাকিনী ডেকা, প্রৱক্তা, জিলা শিক্ষা আৰু প্রশিক্ষণ প্রতিষ্ঠান, যোৰহাট, তিতাবৰ
চয়নিকা শইকীয়া, প্রৱক্তা, জিলা শিক্ষা আৰু প্রশিক্ষণ প্রতিষ্ঠান, নগাঁও, চামগুৰি
ড° অভিমন্যু দত্ত, প্রৱক্তা, জিলা শিক্ষা আৰু প্রশিক্ষণ প্রতিষ্ঠান, শোণিতপুৰ, বিশ্বনাথ চাৰিআলি
স্বৰাজ ফুকন, প্রবক্তা, জিলা শিক্ষা আৰু প্রশিক্ষণ প্রতিষ্ঠান, ডিব্রুগড়

প্রচ্ছদ-অলংকৰণ

প্রাগজ্যোতিষ ভূঞা, শিক্ষক শিক্ষণ মহাবিদ্যালয়, নগাঁও
মণিদীপ বৈশ্য, পূৱ সৰুমটৰীয়া, গুৱাহাটী-৬

ডি.টি.পি.

জ্যোতিমোহন কলিতা

কৃতজ্ঞতা স্বীকাৰ

- ড° দীনেশ প্রসাদ সাকলানি, সঞ্চালক, ৰাষ্ট্রীয় শৈক্ষিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, নতুন দিল্লী
- ড° উষা শর্মা, প্রাধ্যাপক, ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র, ৰাষ্ট্রীয় শৈক্ষিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, নতুন দিল্লী
- ৰাষ্ট্রীয় স্বাক্ষৰতা কেন্দ্র, ৰাষ্ট্রীয় শৈক্ষিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদ, নতুন দিল্লীৰ সমল ব্যক্তিসকল
- ড° বাণী বৰা, জ্যেষ্ঠ প্রালোচক, ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র, নতুন দিল্লী
- য়াছনা গুপ্তা, প্রালোচক, ৰাষ্ট্রীয় সাক্ষৰতা কেন্দ্র, নতুন দিল্লী
- হিন্দী ভাষাত প্রকাশিত মূল 'উল্লাস' আদিপাঠ প্রৱেশিকা সংক্ষিপ্ত সংস্কৰণৰ প্রস্তুতকৰণত জড়িত ব্যক্তিসকল

সূচী-পত্ৰ

পাতনি *iii-iv*

স্বেচ্ছাসেৱী শিক্ষকৰ বাবে দুআষাৰ *vii-viii*

1. পৰিয়াল আৰু চুবুৰীয়া 1-14

-অ, আ, ন, প, স, ৰ, ৱ

-1 ৰ পৰা 20 লৈকে সংখ্যা চিনি পোৱা, পঢ়া আৰু লিখা

2. কথা-বতৰা 15-31

-ই, ঈ, ব, ত, ম, খ, ট, চ

-21 ৰ পৰা 50 লৈকে সংখ্যা চিনি পোৱা, পঢ়া আৰু লিখা

-1 ৰ পৰা 50 লৈ সংখ্যৰ যোগ আৰু বিয়োগ

-একক আৰু দহকৰ সহায়ত গণনা কৰা

3. আমাৰ ধৰণ-কৰণ 32-50

-ও, ঔ, ঝ, দ, ল, গ, ক, য

-51ৰ পৰা 100 লৈকে সংখ্যা চিনি পোৱা, পঢ়া আৰু লিখা

-একক, দহক আৰু শতকৰ গোটত গণনা কৰিব পৰা (স্থানীয় মান)

-2 টা অংকৰ সংখ্যাৰ যোগ আৰু বিয়োগ

-এটা অংকৰ সংখ্যাৰ পূৰণ কৰা

-100 - 100 ৰ গোটত গণনা কৰা

4. আমাৰ চৌপাশ 51-65

-এ, ঐ, জ, ভ, ড, ঢ়, শ, ষ, ং, ঃ

-তিনিটা অংকৰ সংখ্যাৰ যোগ আৰু বিয়োগ

-দৈর্ঘ্য, ভৰ আৰু জুলীয়া বস্তুৰ জোখ-মাখ ল'ব জনা

-দুই অংকৰ সংখ্যাৰ লগত এটা অংকৰ সংখ্যা পূৰণ কৰা

-ভাগৰ ধাৰণা কৰিব পৰা

5. আহাৰ আৰু স্বাস্থ্য 66-78

-উ, ঊ, হ, ছ, থ, ফ, ঠ

-সময় চাবলৈ শিকা (ঘণ্টা, মিনিট, চেকেণ্ড)

-সময়ৰ এককসমূহ পৰস্পৰ সলনি কৰা

-ডিজিটেল সংখ্যা চিনাক্ত কৰা আৰু লিখা

6. ভোটদান 79-89

-ঘ, ঢ, ধ, ঢ়, ক্ষ

-সময়ৰ জোখমাখ ব্যৱহাৰ কৰা (12 আৰু 24 ঘণ্টীয়া ঘড়ী)

-কেলেণ্ডাৰ, সময় তালিকা আৰু ৰে'ল টিকটত দিয়া তথ্যৰ বিষয়ে জনা

7. আইনী আৰু বিত্তীয় সাক্ষৰতা 90-105

-ঋ, ণ, ঞ, য়, ঙ, ৎ, ঃ

-বেংক সম্বন্ধীয় প্ৰ-পত্ৰ পঢ়া, বুজা আৰু পূৰাবলৈ শিকা

-এ.টি. এম, ভীম এপ

-মোবাইল, চাইবাৰ সম্বন্ধীয় তথ্য

আলোচনাৰ বাবে -

1. এই ছবিখন ক'ৰ? 2. কোনে কি কি কৰি আছে? 3. গেলামালৰ দোকানত কি কি পোৱা যায়?
4. এই ছবিখনত মুঠতে কেইজন ল'ৰা-ছোৱালী আছে? 5. ছবিখনত 7 ক'ত লিখা আছে?
6. ছবিখনত মুঠ কেইখন বেঞ্চ আছে?



1 পৰিয়াল আৰু চুবুৰীয়া

শিকোঁ আহক

অ	আ	ন	প	স	ৰ	ৱ

- 1 ৰ পৰা 20 লৈকে সংখ্যা চিনি পোৱা, পঢ়া আৰু লিখা


ছবি চাই পঢ়োঁ আহক -



দোকান



পৰিয়াল



ঘৰ



চুবুৰীয়া



ৰাইজ



পথ

শিক্ষকলৈ নির্দেশনা - সকলো শিকাৰুক প্ৰতিখন ছবি চিনাক্ত কৰিবলৈ দিয়ক। ছবিৰ সৈতে মিলাকৈ শব্দ দিয়া হৈছে। শব্দবোৰত আঙুলি থৈ পঢ়িবলৈ ক'ব।

■ পঢ়োঁ আৰু লিখোঁ আহক-

অ



অসম

আ



আম

অ্

আ্

ন



নদী

না



নাৰিকল

ন্

ন্া

প



পক্ষী

পা



পাত

প্

প্া

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক এজন এজনকৈ সকলো ছবি চিনাক্ত কৰিবলৈ দিয়ক । ছবিৰ সৈতে মিলাকৈ শব্দ দিয়া হৈছে । শব্দবোৰত আঙুলি থৈ পঢ়িবলৈ ক'ব আৰু আখৰ লিখিবলৈ দিব। 'অ' আৰু 'আ' ৰ মাজত থকা ধ্বনি আৰু আকৃতিৰ পার্থক্যও বুজাই ক'ব । এইদৰে বাকী আখৰবোৰো পঢ়িবলৈ আৰু লিখিবলৈ দিব ।

স



সজা

সা

৭

সাত

স

সা

ৰ



ৰঙালাউ

ৰা



ৰাণী

ৰ


ৰা

ভ্ৰ



ভ্ৰন

ব্ৰা



কুঁব্ৰা

ব্র

ব্রা


- চাওক আৰু পঢ়ক-

নানা	আন	নৱ
পাৰ	আনা	সাপ
পান	অনা	সৰৱ
নাৰ	নৰ	ৰাপ

- শব্দবোৰ চিনি উলিয়াই ঘেৰ দিয়ক -

আ	ৰা	প	ন	স
ৰ	স	আ	ৱ	প
ৱ	পা	ন	অ	ন
ন	ৱ	সা	পা	প
আ	স	ৰা	ন	ৰ

ছবি চাই খালী ঠাই পূৰ কৰক -



পা....




আ....ৰস



ব...


শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলে শিকি অহা আখৰবোৰ ব'র্ডত লিখি শব্দ গঠন কৰিবলৈ ক'ব। সকলোৱে লগ হৈ শব্দ গঠন কৰিব। শিকাৰুসকলক আখৰ লিখিবলৈ উৎসাহিত কৰক আৰু লিখা শব্দবোৰ এটা এটাকৈ পঢ়িবলৈ কওক।

■ গণনা কৰক আৰু সংখ্যা চিনি উলিয়াওক -



1 ১

এখন নাও




2 ২

দুটা আপেল



3 ৩

তিনিপাহ ফুল




4 ৪

চাৰিটা আম




5 ৫

পাঁচটা ঘৰ




6 ৬

ছয়টা বগলী




7 ৭

সাতটা কলহ



8 ৮

আঠটা নল



9 ৯

নটা ডালিম

শিক্ষকলৈ নির্দেশনা - শিকাৰুয়ে ছবিত দেখা বস্তুবোৰ গণনা কৰি কাষত দিয়া সংখ্যাটো যাতে চিনিব পাৰে তাৰ বাবে চেষ্টা কৰিব। শিকাৰুসকলক আশে-পাশে থকা বস্তুবোৰ গণিবলৈ ক'ব, যেনে- কোঠাটোত কেইজন ব্যক্তি আছে ? কোনে কি কি কৰি আছে ইত্যাদি। শিকাৰুসকলৰ ব্যৱহাৰিক শিকণৰ উদ্দেশ্যে সংখ্যাবোৰ ইংৰাজীত ব্যৱহাৰ কৰা হৈছে। তেওঁলোকে অসমীয়া সংখ্যাবোৰো যাতে শিকিব পাৰে তাৰ বাবে অসমীয়া সংখ্যাবোৰ একেলগে দেখুওৱা হৈছে।

■ চাওক, গণনা কৰক আৰু সংখ্যা লিখক-

1	1		6	6	
2	2		7	7	
3	3		8	8	
4	4		9	9	
5	5				

■ মোবাইলত কোনটো সংখ্যা ক'ত আছে? খালী ঠাইত শুদ্ধ সংখ্যাটো লিখক-



শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক মোবাইলত থকা সংখ্যাবোৰ লিখিবলৈ অভ্যাস কৰোৱাব । চেষ্টা কৰিব যাতে শিকাৰুসকলে প্ৰথমে এই সংখ্যাবোৰ বিন্দুযুক্ত ৰেখাৰ সহায়ত লিখি পিছত নিজে ক'ব আৰু লিখিব পাৰে। যিসকল শিকাৰুৰ অধিক অনুশীলনৰ প্ৰয়োজন আছে তেওঁলোকক বাৰে বাৰে অনুশীলন কৰিবলৈ দিব। লগতে চেষ্টা কৰিব যে শিকাৰুসকলে যাতে মোবাইলৰ কি-পেডত থকা সংখ্যাৰ ক্ৰম চিনি পায় আৰু সেই অনুসৰি সংখ্যাবোৰ 1 পৰা 9 লৈকে লিখে।

ৰতনৰ পৰিয়াল এখন গৰুগাড়ীৰে গৈ আছে। এতিয়া চাওক, গণনা কৰক আৰু লিখক -



- গাড়ীখনত মুঠ কেইগৰাকী ব্যক্তি আছে? [ ]
- গাড়ীখনত কেইজন পুৰুষ আছে ? [ ]
- গাড়ীখনত কেইগৰাকী মহিলা আছে? [ ]
- পাচিত কেইটা তৰমুজ আছে? [ ]
- গাড়ীখনত কেইটা চকা আছে? [ ]
- গাড়ীখনত কেইটা লেম্প আছে? [ ]

খালী ঠাইত সংখ্যা লিখি ক্ৰম সম্পূৰ্ণ কৰক-

1		3	4		6			9

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক বস্তুবোৰ গণনা কৰি সংখ্যাবোৰ লিখিবলৈ অভ্যাস কৰোৱাব । তেওঁলোকক সংখ্যা পঢ়িবলৈ আৰু লিখিবলৈ সহায় কৰিব। আপুনি আশে-পাশে থকা বস্তুবোৰ গণনা কৰিবলৈও দিব পাৰে ।


■ একেলগে মিলি গণনা কৰোঁ আহক -




দহটা নল 10




এঘাৰখন চকী 11



বাৰখিলা পাত 12




তেৰটা আল্‌মাৰি 13




চৈধ্যখন চিলা 14



পোন্ধৰপাহ ফুল 15




ষোল্লটা নাৰিকল 16



সোতৰটা ডালিম 17



ওঠৰটা মাছ 18



ঊনৈশটা মুকুতা 19



বিশডাল কাঠি 20

■ খালী ঠাইত সংখ্যা লিখি ক্রম সম্পূর্ণ কৰক-

10		12		14	15		17			20

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক ছবিত দিয়া বস্তুবোৰৰ সংখ্যা গণনা কৰিবলৈ দিব আৰু সংখ্যাবোৰ লিখাত সহায় কৰিব। ইচ্ছা কৰিলে আশে-পাশে থকা বস্তুও গণনা কৰিবলৈ দিব পাৰে।

কর্ম পত্র

1. তলত দিয়া আখৰকেইটা শব্দত চিনাক্ত কৰি ঘেৰ দিয়ক -

ন	-	নল	বাহন
স	-	আসন	ৰস
ৰা	-	তৰা	ৰাৱণ
পা	-	পাত	পাৰ

2. পঢ়ক আৰু লিখক-

পাঁ প প্ৰাঁ ন ন্ধাঁ


3. ছবি চাই খালী ঠাই পূৰ কৰক-



আনা.....স



....নী



....প

4. শব্দ চিনি উলিয়াই ঘেৰ দিয়ক-

আ	ন	স	প	অ
প	না	ৱ	ৰা	স
পা	প	ৰ	অ	না
ন	ৰ	ৰা	স	পা
পা	অ	ৰ	ৱ	ৰ



5. গণনা কৰি সংখ্যা লিখক-

6. খালী ঠাইত সংখ্যা লিখি ক্রম সম্পূর্ণ কৰক-

1		**3**	**4**					**9**

7. গণনা কৰি সংখ্যা লিখক-


			
			

8. খালী ঠাইত সংখ্যা লিখি ক্রম সম্পূর্ণ কৰক-

10		**12**		**14**	**15**		**17**			**20**

আলোচনাৰ বাবে-

1. নিজৰ খবৰ আনলৈ পঠিয়াবলৈ এই ছবিখনত কি কি উপায় প্ৰয়োগ কৰা হৈছে?
2. আপুনি কেতিয়াবা ডাকঘৰলৈ গৈছে নে?
3. আপুনি ডাকঘৰলৈ কি কি কামত যায়?
4. বা-বাতৰি কি কি উপায়েৰে পোৱা যায়?
5. কথাবতৰা পতাৰ উপৰিও অন্য কি কি কামত মোবাইল ব্যৱহাৰ কৰা হয়?



2 কথা-বতৰা

শিকোঁ আহক

ই	ঈ	ব	ত	ম	খ	ট	চ

- 21ৰ পৰা 50 লৈকে সংখ্যা চিনি পোৱা, পঢ়া আৰু লিখা
- 1ৰ পৰা 50 লৈ সংখ্যাৰ যোগ আৰু বিয়োগ
- একক আৰু দহকৰ সহায়ত গণনা কৰা

ছবি চাই পঢ়োঁ আহক -



বাতৰি কাকত



ডাকবাকচ



ৰেডিঅ’



কথাবতৰা



মোবাইল



দূৰদৰ্শন

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক প্রতিখন ছবি চিনাক্ত কৰিবলৈ দিব। ছবিৰ সৈতে থকা শব্দবোৰ পঢ়িবলৈ দিব।

পঢ়োঁ আৰু লিখোঁ আহক-

ই




ইকৰা

ঈ



ঈগল

ব




ৰষুণ

বা



বাঘ

বি



বিচনী

বী




বীণ

ত



তলা

তা



তাল

ত

তা

ত্ত

ত্তা

তি

৩

তিনি

তী



তীৰ

তি

তী

ত্তি

ত্তী

ম



মটৰ

মা




মালা

ম্ম

ম্মা


শিক্ষকলৈ নির্দেশনা - ছবিবোৰ চাই শিকাৰুসকলক শব্দবোৰ পঢ়িবলৈ সহায় কৰক আৰু আখৰবোৰ লিখিবলৈ দিয়ক।

মি



মিঠাই

মী



মীন

মি


মী

খ



খৰম

খা




খাম

খ

খা

খি



খিৰিকী

খী



খীণ

খি

খী

ট



টকা

টা




টাব

ট


টা

ঢ



টিকট

ঢী



কুটীৰ

ঢি

ঢী

চ



চকু

চা



চামুচ

চ

চা


ড

ডী

চি



চী



চিঠি

চীল


চি

চী


ছবি চাই খালী ঠাই পূৰ কৰক-



আ.....



কু....ৰ



.....ছ




.....কৈ

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক আখৰবোৰ চিনি পাবলৈ আৰু তাৰ লগত জড়িত শব্দবোৰ লিখিবলৈ উৎসাহিত কৰক।

বাক্যকেইটা একেলগে পঢ়োঁ আহক-

- অকণৰ ঘৰ নগৰত।
- মই ভাত খাওঁ।
- কৰিমে মিঠাই খাই আছে।
- মিনাই চিঠি লিখি আছে।
- বাছখনত বহুত মানুহ আছে।

ছবিবোৰৰ নাম লিখক-




.....



.....



.....



.....

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক শব্দবোৰ পঢ়াত সহায় কৰক। শিকাৰুসকলক আখৰ চিনি পোৱাত আৰু আখৰৰ লগত জড়িত শব্দবোৰ চিনি পোৱাত সহায় কৰক। লগতে চুটি চুটি বাক্য লিখিবলৈ উৎসাহিত কৰক।

- মিনতিৰ পৰিয়ালত 5 জন মানুহ আছে। 4 জন মানুহ তেওঁলোকৰ ঘৰলৈ নতুনকৈ আহিল। এতিয়া মিনতিৰ ঘৰত মুঠতে কিমানজন মানুহ হ'ল?


আৰু

মিলি হ'ল


5	গৰাকী	আৰু	4	গৰাকী মিলি হ'ল	9	গৰাকী
5		+	4	মিলি হ'ল	9	
5		+	4	=	9	

5 + 4 = 9 বা
$$\begin{array}{r} 5 \\ +\ 4 \\ \hline 9 \end{array}$$

- যোগ কৰক

$$\begin{array}{r} 13 \\ +\ 2 \\ \hline \\ \hline \end{array} \qquad \begin{array}{r} 15 \\ +\ 3 \\ \hline \\ \hline \end{array} \qquad \begin{array}{r} 12 \\ +\ 4 \\ \hline \\ \hline \end{array}$$

7 + 2 = ☐


13 + 4 = ☐

- ডাকোৱালে প্ৰথম দিনা 8 খন চিঠি বিলালে। দ্বিতীয় দিনা তেওঁ 3 খন চিঠি বিলালে। এই দুদিনত ডাকোৱালজনে মুঠ কেইখন চিঠি বিলালে?




শিক্ষকলৈ নিৰ্দেশনা - শিকাৰুসকলক ছবিৰ সহায়ত গণনা কৰিবলৈ সুবিধা দিব যাতে তেওঁলোকে 10 ৰ পৰা 20 লৈকে সংখ্যা চিনি পায়। গণিতত + য়ে জমা হোৱা, - য়ে কমি যোৱা আৰু = য়ে সমানক বুজায়।


নটা কম্পিউটাৰৰ দুটা কম্পিউটাৰ বেয়া হ'ল। কওকচোন এতিয়া কেইটা কম্পিউটাৰ ভাল হৈ আছে?



☐ টা কম্পিউটাৰৰ পৰা



☐ টা কম্পিউটাৰ বেয়া হ'ল



ভাল হৈ থকা কম্পিউটাৰ ☐ টা

9 টা কম্পিউটাৰৰ পৰা — **2** টা কম্পিউটাৰ বেয়া হ'ল = **7** টা কম্পিউটাৰ ভাল হৈ আছে

9 – **2** বাকী থাকিল = **7**

9 – **2** = **7**

9 – 2 = 7

শিক্ষকলৈ নির্দেশনা - আমি প্ৰায়ে দৈনন্দিন জীৱনত দুটা সংখ্যা যোগ কৰিবলগীয়া হয়। সেয়েহে, শিকাৰুসকলক বেলেগ বেলেগ সংখ্যা যোগ কৰিবলৈ উৎসাহিত কৰিব। সৰু সংখ্যা (9 লৈকে) প্ৰয়োগ কৰি বিয়োগ কৰিবলৈও শিকাব।

▪ বিয়োগ কৰক -

9	6	8	7 − 3 = ☐
− 3	− 2	− 4	5 − 2 = ☐
———	———	———	
———	———	———	

- মেৰীৰ হাতত 10 টকা আছে, তাৰে তেওঁ 5 টকাৰে কল কিনিলে। এতিয়া তেওঁৰ হাতত কিমান টকা আছে?

_____

▪ যোগ আৰু গণনা শিকোঁ আহক-

▪ মিঠাইৰ বাকচত 10 টা লাড়ু আছে । 10 এককৰ অর্থ হৈছে 1 দহক । এতিয়া চাওক আৰু বুজি লিখক।



20 + 1 = 21
2 দহক আৰু 1 একক — একৈশ



20 + 2 = 22
2 দহক আৰু 2 একক — বাইশ



20 + 3 = 23
2 দহক আৰু 3 একক — তেইশ



20 + 4 = 24

2 দহক আৰু 4 একক — চৌৱিশ



20 + 5 = 25

2 দহক আৰু 5 একক — পঁছিশ



20 + 6 = 26

2 দহক আৰু 6 একক — ছাব্বিশ



20 + 7 = 27

2 দহক আৰু 7 একক — সাতাইশ




20 + 8 = 28

2 দহক আৰু 8 একক — আঠাইশ



20 + 9 = 29

2 দহক আৰু 9 একক — ঊনত্রিশ



20 + 10 = 30

2 দহক আৰু 10 একক বা 3 দহক — ত্রিশ

শিক্ষকলৈ নির্দেশনা -শিকাৰুসকলক এইদৰে পিছৰ সংখ্যাবোৰ লিখিবলৈ সহায় কৰিব।

■ 50 লৈ গণনা -

30	+	1	=	31	40	+	1	=	41
30	+	2	=	32	40	+	2	=	42
30	+	3	=	33	40	+	3	=	43
30	+	4	=	34	40	+	4	=	44
30	+	5	=	35	40	+	5	=	45
30	+	6	=	36	40	+	6	=	46
30	+	7	=	37	40	+	7	=	47
30	+	8	=	38	40	+	8	=	48
30	+	9	=	39	40	+	9	=	49
30	+	10	=	40	40	+	10	=	50

■ এটা বাকচত 10 ডাল কাঠি আছে। কাঠিবোৰৰ মুঠ সংখ্যা বাকচত লিখক-

		বা ☐ + ☐
		বা ☐ + ☐

- তলত দিয়া 10 টকীয়া নোট আৰু 1 টকীয়া মুদ্রা মিলি মুঠতে কিমান টকা হ'ব লিখক-

	10 টকীয়া নোট		1 টকীয়া মুদ্রা		মুঠ টকা
(ক)		+		=	34
(খ)		+		=	☐

- যোগ কৰক -

40 + 5	30 + 7	40 + 10	25 + 12	32 + 15
———	———	———	———	———
———	———	———	———	———

- যোগ কৰক -

27 + 12 = ☐ 32 + 11 = ☐

22 + 14 = ☐ 15 + 25 = ☐

- **বিয়োগ কৰক -**

48	36	42	49
− 32	− 13	− 21	− 19
____	____	____	____
____	____	____	____

39 − 23 = ☐ 45 − 31 = ☐

29 − 12 = ☐ 37 − 15 = ☐

- **আপোনাৰ হাতত 10 টকীয়া আৰু 1 টকীয়া কিছু নোট আৰু মুদ্রা আছে। আপুনি দোকানীক বস্তুবোৰৰ দাম কেনেদৰে পৰিশোধ কৰিব ? নোট আৰু মুদ্রাৰ সংখ্যা খালী ঠাইত লিখক-**

বস্তু	মূল্য	10 টকীয়া নোট/ মুদ্রা	1 টকীয়া নোট / মুদ্রা
মটৰ	₹50		
বৰফি	₹42		
মগু	₹29		
কল	₹15		

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক ক'ব যে দহ অংকৰ গোটত গণনা কৰিলে বৃহৎ সংখ্যা গণনা কৰিবলৈ সুবিধা হয়। তেওঁলোকক এইটোও বুজাব লাগিব যে দহ এককে এক দহক গঠন কৰে। মুদ্রাৰ প্রতীক ₹।

কর্ম পত্র

1. তলত দিয়া আখৰকেইটা শব্দত চিনাক্ত কৰি ঘেৰ দিয়ক-

ই	-	ইকৰা	আই
ট	-	বাট	মটৰ
তী	-	তীৰ	জাতীয়

2. শব্দকেইটা লিখক-





3. ছবি চাই খালী ঠাই পূৰ কৰক-






.....চনী প.....লা ত.....লা আল্.....ৰি

4. ছবিৰ নাম লিখক-






....


5. যোগ কৰক-

13	36	20	27	32
+ 32	+ 4	+ 15	+ 12	+ 11
_____	_____	_____	_____	_____

6. বিয়োগ কৰক-

9	8	36	45	37
– 3	– 4	– 12	– 21	– 15
_____	_____	_____	_____	_____

7. গণনা কৰি কিমান পালে লিখক-



= _____


8. খালী ঠাই পূৰ কৰক-

30 + 5 = _____ 40 + 5 = _____

40 + 2 = _____ 40 + 10 = _____

9. নোট বা মুদ্রাৰ সংখ্যা খালী ঠাইত লিখক-

মূল্য	10 টকীয়া নোট/ মুদ্রা	1 টকীয়া নোট / মুদ্রা
₹42		
₹29		


আলোচনাৰ বাবে -
1) এই ছবিখনত কি কি দেখা গৈছে? 2) ছবিখনত কোনে কি কৰি আছে?
3) মহিলাসকলে কলহ লৈ কি কৰিছে ? 4) ছবিখনত কেইজন পুৰুষ আছে?
5) ছবিখনত মহিলাৰ সংখ্যা কিমান? 6) ছবিখনত দেখা সকলো
পুৰুষ-মহিলাই একেধৰণে পোছাক পিন্ধিছেনে?
জয় গুৰু শঙ্কৰ


3 আমাৰ ধৰণ-কৰণ

শিকোঁ আহক


ও	ঔ	ঝ	দ	ল	গ	ক	য

- 51 ৰ পৰা 100 লৈকে সংখ্যা চিনি পোৱা, পঢ়া আৰু লিখা
- একক, দহক আৰু শতকৰ গোটত গণনা কৰিব পৰা (স্থানীয় মান)
- 2 টা অংকৰ সংখ্যাৰ যোগ আৰু বিয়োগ
- এটা অংকৰ সংখ্যাৰ পূৰণ কৰা
- 100-100ৰ গোটত গণনা কৰা

ছবি চাই পঢ়োঁ আহক-




বিয়া



তাঁত-শাল



মেখেলা-চাদৰ



ঢোল-পেঁপা



কাতি বিহু



গোহালি

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক প্ৰতিখন ছবি চিনাক্ত কৰিবলৈ দিব। ছবিৰ সৈতে থকা শব্দবোৰ পঢ়িবলৈ দিব।

পঢ়োঁ আৰু লিখোঁ আহক-

ও



ওলকবি

ঔ



ঔষধ

ঝ




ঝংকাৰ

ঝা




ঝাড়ু

য




যকৃৎ

যা



যাঠি

দ



দগা

দা




দাড়ি

দ

দা

দি



দিয়াচলাই

দী



দীপক

দি

দী

দো



দোকান

দৌ



দৌৰ

দো

দৌ

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক এজন এজনকৈ সকলো ছবি চিনাক্ত কৰিবলৈ দিয়ক। ছবিৰ তলত দিয়া শব্দত আঙুলি থৈ পঢ়িবলৈ দিব আৰু তেওঁলোকক আখৰ লিখিবলৈ দিয়ক।

ল



লতা

লা



লাউ


ল া

লি



লিচু

লী



ছাগলী

ল ি


ল ী

লো



লোটা

লৌ




হলৌ

ল ো

ল ৌ

গ



গছ

গা



গামোচা

গি



গিলাচ

গী



গীটাৰ

গু




গোলাপ

গৌ



গৌতম

ক




কল

কা



কাউৰী

কি



কিতাপ

কী



কীট্

কো



কোমোৰা

কৌ




কৌপাত্

শিক্ষকলৈ নির্দেশনা - ছবি চাই শব্দ পঢ়িবলৈ শিকাৰুসকলক সহায় কৰক আৰু তেওঁলোকক আখৰ লিখিবলৈ দিয়ক। এই আখৰবোৰেৰে আন নতুন শব্দ লিখি পঢ়িবলৈ দিয়ক।

■ শব্দ বিচাৰি লিখোঁ আহক -

আজি কমলে বহুতো খোৱাবস্তু ৰান্ধিছে। খোৱাবস্তুৰ নাম চিনাক্ত কৰি তাৰ ওপৰত ঘেৰ দিয়ক।



পনীৰ	পিঁয়াজ্	তেঁতেলী	বিলাহী	বাটি	কাঁহী	গিলাচ
চাটনি	পালেং	দাইল	ভাত	গেছ	ৰুটী	খেলনা
ভাজি	নিমখ	পানী	জগ	বেলনা	খীৰ	লাউ

■ খোৱাবস্তুবোৰৰ নাম লিখক -

পঢ়োঁ আৰু লিখোঁ আহক-

- ছাহিল ঘৰলৈ গৈ আছে।

- বাতৰি কাকতত খবৰ থাকে।

- বৰষুণ দি আছে।

- মালাই পথাৰত কাম কৰি আছে।

শিক্ষকলৈ নির্দেশনা - শব্দ পঢ়িবলৈ শিকাৰুসকলক সহায় কৰক। শিকাৰুসকলক বাক্য পঢ়িবলৈ আৰু চাই চাই লিখিবলৈ উৎসাহিত কৰক।

ফুলৰ মালা

ৰহিমে মাকক ফুলৰ মালা গঁথাত সহায় কৰি আছিল। তেওঁ মাকক ফুলকেইপাহ এপাহ এপাহকৈ দি সংখ্যাবোৰ কৈ আছিল। 10 পাহ ফুলৰ এডাল মালা অর্থাৎ প্রতিডাল মালাত 10 পাহ ফুল । ৰহিমে ফুল দি থাকিল আৰু মাকে মালা গাঁথি থাকিল। গতিকে এতিয়া আহকছোন বুজো, কিমানপাহ ফুলেৰে কেইডাল মালা গঁথা হ'ল।

পাঁচ দহ 	+	এক একক 	=	**50 + 1 = 51** **একাৱন**
পাঁচ দহ 	+	দুই দহক 	=	**50 + 2 = 52** **বাৱন**
পাঁচ দহ 	+	তিনি দহক 	=	**50 + 3=53** **তেৱন**
পাঁচ দহ 	+	চাৰি একক 	=	**50 + 4=54** **চৌৱন**

পাঁচ দহ 	+	পাঁচ একক 	=	**50 + 5 = 55** **পঁছপন**
পাঁচ দহ 	+	ছয় একক 	=	**50 + 6 = 56** **ছাপন**
পাঁচ দহ 	+	সাত একক 	=	**50 + 7 = 57** **সাতাৱন**
পাঁচ দহ 	+	আঠ একক 	=	**50 + 8 = 58** **আঠাৱন**
পাঁচ দহ 	+	ন একক 	=	**50 + 9=59** **ঊনষাঠি**
পাঁচ দহ 	+	দহ একক 	=	**50 +10 = 60** **ষাঠি**

100 লৈ গণনা-

60+1	=	61
60+2	=	62
60+3	=	63
60+4	=	64
60+5	=	65
60+6	=	66
60+7	=	67
60+8	=	68
60+9	=	69
60+10	=	70

70+1	=	71
70+2	=	72
70+3	=	73
70+4	=	74
70+5	=	75
70+6	=	76
70+7	=	77
70+8	=	78
70+9	=	79
70+10	=	80

80+1	=	81
80+2	=	82
80+3	=	83
80+4	=	84
80+5	=	85
80+6	=	86
80+7	=	87
80+8	=	88
80+9	=	89
80+10	=	90

90+1	=	91
90+2	=	92
90+3	=	93
90+4	=	94
90+5	=	95
90+6	=	96
90+7	=	97
90+8	=	98
90+9	=	99
90+10	=	100

- খালী ঠাইত সঠিক ক্রমত সংখ্যা লিখক-


1	2	3	4	5	6	7	8	9	10
11		13	14			17			20
21			24						
					36				
		43						49	
	52				56				
61			64			67		69	
		73							80
			84				88		
91		93			96				100

■ যোগ কৰক -

70	56	46	62
+ 12	+ 13	+ 12	+ 36
____	____	____	____

● যেতিয়া এককৰ স্থানৰ অংকৰ যোগফল দহতকৈ বেছি হয়, তেতিয়া যোগফলটো দহৰ গোট বনাই দহকৰ স্থানৰ অংকবোৰৰ লগত যোগ কৰা হয়।

যেনে –



■ যোগ কৰক -

75	37	55	28
+ 19	+ 46	+ 26	+ 25
____	____	____	____
65	36	38	39
+ 27	+ 54	+ 45	+ 24
____	____	____	____

■ বিয়োগ কৰক -

75	38	86	47
– 24	– 12	– 24	– 13
____	____	____	____

বিয়োগ কৰোঁতে যদি একক কম হয় তেতিয়া দহক একক লৈ সলনি কৰি লোৱা হয়।

যেনে-

54 [10] [10] [10] [10] [10] ⁘

বা

54 [10] [10] [10] [10] ⁘⁘

যেনে –

54	4 14	
- 26	- 2 6	
28	____	

4 ৰ পৰা 6 বিয়োগ কৰিব নোৱাৰি । সেই কাৰণে 5 দহকৰ পৰা 1 দহক লৈ 10 এককলৈ সলনি কৰি লোৱা হয়। এতিয়া আমাৰ লগত 4 দহক আৰু 14 একক আছে। 14 এককৰ পৰা 6 একক বিয়োগ কৰিলে 8 একক থাকিব। 4 দহকৰ পৰা 2 দহক বিয়োগ কৰিলে 2 দহক থাকিব।


■ বিয়োগ কৰক -

76	53	32	65
– 38	– 27	– 15	– 28
____	____	____	____
96	88	40	54
– 68	– 39	– 27	– 28
____	____	____	____

- পূৰণ কৰিবলৈ শিকোঁ আহক-
  - বিদ্যালয়ত স্বাধীনতা দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত লাড়ুৰ বাকচ বিতৰণ কৰা হৈছে। এটা বাকচত চাৰিটা লাড়ু ধৰে। আহকছোন, 10 জন ছাত্ৰ-ছাত্ৰীক লাড়ুৰ বাকচ দিবলৈ হ'লে কিমান লাড়ুৰ প্ৰয়োজন হ'ব হিচাপ কৰি চাওঁ।

1 জনে পাব  অর্থাৎ 1 টা পেকেটত 4 টা লাড়ু আছে
1 বাৰ 4
1 গুণ 4
বা 1 X 4 = 4 টা লাড়ু


---

2 জনে পাব  অর্থাৎ 2 টা পেকেটত প্ৰতিটোত 4 টাকৈ লাড়ু আছে
4+4
2 বাৰ 4
2 গুণ 4
বা 2 X 4 = 8 টা লাড়ু

---

3 জনে পাব  অর্থাৎ 3 টা পেকেটত প্ৰতিটোত 4 টাকৈ লাড়ু আছে
4+4+4
3 বাৰ 4
3 গুণ 4
বা 3 X 4 = 12 টা লাড়ু

---

4 জনে পাব  অর্থাৎ 4 টা পেকেটত প্ৰতিটোত 4 টাকৈ লাড়ু আছে
4+4+4+4
বা 4 গুণ 4 4 X 4 = 16 টা লাড়ু

এতিয়া কওক 7 জনে কেইটা লাড়ু পাব?

4 + ☐ + ☐ + ☐ + ☐ + ☐ + ☐ = ☐ বাৰ ☐

বা ☐ গুণ ☐ = ☐ × ☐ = ☐ টা লাড়ু

10 জনে কেইটা লাড়ু পাব?

4 + ____ + ____ + ____ + ____ + ____ + ____ + ____ + ____ + ____

= ____ বাৰ ____ = ____ গুণ ____ = ____ × ____ = ____ টা লাড়ু

■ পূৰণ কৰক -

3	5	6	7
× 4	× 5	× 3	× 4
____	____	____	____

■ মোনা গণনা কৰোঁ আহক-

1 বান্দিলত 100 খনকৈ মোনা  বা 1 বাৰ 100	1× 100 = 100খন মোনা
2 বান্দিলত 100 খনকৈ মোনা  বা 2 বাৰ 100	2× 100 = 200খন মোনা
3 বান্দিলত 100 খনকৈ মোনা  বা 3 বাৰ 100	3× 100 = 300খন মোনা


	4 × 100 = 400 খন মোনা
	5 × 100 = 500 খন মোনা
	6 × 100 = 600 খন মোনা
	7 × 100 = 700 খন মোনা
	8 × 100 = 800 খন মোনা
	9 × 100 = 900 খন মোনা
	10 × 100 = 1000 খন মোনা

কর্ম পত্র

1. তলত দিয়া আখৰকেইটা শব্দত চিনাক্ত কৰি ঘেৰ দিয়ক-

ও	-	ওখ	যাওক
গা	-	গাখীৰ	বগা
লো	-	লোণ	সকলো

2. ছবিত থকা বস্তুবোৰৰ নামত ঘেৰ দিয়ক-



কলহ

টেমা

বটল

নল

3. পঢ়ক আৰু লিখক-

গিলাচত পানী আছে।

_____

4. ছবিৰ নাম লিখক-







_____ _____ _____

5. খালী ঠাই পূৰ কৰক-

পাঁচ দহক 	এক একক 	=	☐ + ☐ = ☐
পাঁচ দহক 	চাৰি একক 	=	☐ + ☐ = ☐

6. খালী ঠাইত সঠিক ক্ৰমত সংখ্যা লিখক -

21			24				28		30
		33			36			39	


7. খালী ঠাই পূৰ কৰক-

90 + 2 = _____

70 + 5 = _____

46	58
+ 27	− 27
_____	_____

8. মোনা হিচাপ কৰি লিখক-




100 = 100 মোনা

_____ খন মোনা

_____ খন মোনা

আলোচনাৰ বাবে-

শিকাৰুসকলৰ লগত খেতি-বাতিৰ লগত জড়িত কথাৰ বিষয়ে আলোচনা কৰক । তেওঁলোকক সুধিব - 1. ছবিখনত কেইটা ঘৰ আছে? 2.কেইজন লোক ছবিখনত দেখা গৈছে? 3. ছবিখনত কেইটা জন্তু আছে ? 4. ছবিখনত কেইখন ঠেলাগাড়ী আছে?



4 আমাৰ চৌপাশ

শিকোঁ আহক


এ ঐ জ ভ ড ড় শ ষ ং ঃ

- তিনিটা অংকৰ সংখ্যাৰ যোগ আৰু বিয়োগ
- দৈর্ঘ্য, ভৰ আৰু জুলীয়া বস্তুৰ জোখ-মাখ ল'ব জনা
- দুটা অংকৰ সংখ্যাৰ লগত এটা অংকৰ সংখ্যা পূৰণ কৰা
- ভাগৰ ধাৰণা

■ ছবি চাই পঢ়োঁ আহক-



জংঘল




কুঁৱা



জীৱ-জন্তু



বৰষুণ



জুপুৰী



নদী

শিক্ষকলৈ নির্দেশনা-

ওপৰত দিয়া শব্দবোৰ পঢ়াৰ ক্ষেত্ৰত শিকাৰুক সহায় কৰক । তেওঁলোকক ছবিবোৰৰ আধাৰত ধাৰণা কৰি আন শব্দ ক'বলৈ উৎসাহিত কৰক ।


পঢ়োঁ আৰু লিখোঁ আহক-

এ



একতাই পৰম বল।

ঐ



ঐৰাৱত মানে হাতী।

জ



জলকীয়া আৰু জালুকৰ সোৱাদ জ্বলা।

ভ



ভোটদান আমাৰ অধিকাৰ।

জে



ব'হাগ বিহুত সকলোৱে জেতুকা লগাওঁ।

ভৈ




জোনবিল মেলা পাহাৰ ভৈয়ামৰ সকলো লোকৰ মিলনভূমি।

শ




শাক-পাচলি পুষ্টিকৰ খাদ্য।

ষ



ষড়ভুজত ছয়টা কোণ থাকে।

ড




ডম্বৰু বাজে ডুগ ডুগ ডুগ।

ড়



কাজিৰঙা এশিঙীয়া গঁড়ৰ বাবে জনাজাত।

ং



কলঙৰ ওপৰত দলং আছে।

ঁ




বাঁহৰ আগত বগলীৰ বাহ।

জড়	ভেশ	শহা	বিষ
.....	.....	.....	.....

ডগৰ	কাঁকৈ	ৰেলিং	শৈশৱ
.....	.....	.....	.....

ছবিখনৰ বিষয়ে তিনিশাৰী বাক্য লিখক-



ক) _____

খ) _____

গ) _____

যোগ কৰক-

741	685	135	437
+ 132	+ 114	+ 232	+ 142
_____	_____	_____	_____

- ৰবিয়ে 550 টকাৰ চাউল আৰু 120 টকাৰ চেনী কিনিলে। তেওঁ দোকানীক মুঠতে কিমান টকা দিলে?

_____

বিয়োগ কৰক-

739	735	895	436
– 225	– 123	– 242	– 115
_____	_____	_____	_____

- বীণাৰ হাতত 950 টকা আছিল। তেওঁ 530 টকাৰে এযোৰ মেখেলা-চাদৰ কিনিলে। বীণাৰ হাতত এতিয়া কিমান টকা আছে?

_____


দৈর্ঘ্যৰ জোখ-মাখ-

মনত ৰাখিব

1 চেন্টিমিটাৰ = 10 মিলিমিটাৰ

100 চেন্টিমিটাৰ = 1 মিটাৰ

1000 মিটাৰ = 1 কিলোমিটাৰ



- ঘৰৰ বেৰত এনেকুৱা দুটা দাগ দিয়ক যি দুটাৰ মাজৰ দূৰত্ব 1 মিটাৰ হয়।
- সহপাঠীৰ সহায়ত নিজৰ আৰু সহপাঠীৰ উচ্চতা জুখি লিখক।

■ খালী ঠাই পূৰ কৰক-

• দুখন চহৰৰ মাজৰ দূৰত্ব আমি _____ৰে জোখো ।

• কাপোৰৰ দৈর্ঘ্য _____ৰে জোখা হয়।



1 ডেচিমিটাৰ

■ খালী ঠাই পূৰ কৰক-



- 3000 মি. = _____ কি.মি.
- 700 ছে.মি. = _____ মি.
- 40 মি.মি. = _____ ছে.মি.
- 5 কি.মি = _____ মি.
- 6 মি. = _____ ছে.মি.
- 7 ছে.মি. = _____ মি.মি.

- সীমাই গাড়ীৰে প্ৰথমদিনা 180 কি.মি. আৰু দ্বিতীয় দিনা 182 কি.মি. দূৰত্ব অতিক্ৰম কৰিলে। তেওঁ মুঠতে কিমান দূৰত্ব অতিক্ৰম কৰিলে?


- ৰীণাই 854 মিটাৰ কাপোৰৰ পৰা 632 মিটাৰ কাপোৰ বিক্ৰী কৰিলে। ৰীণাৰ ওচৰত এতিয়া কিমান মিটাৰ কাপোৰ বাকী থাকিল ?

ভৰৰ জোখ মাখ -

মনত ৰাখিব -

1 কিলোগ্রাম	**=**	**1000 গ্রাম**
আধা কিলোগ্রাম	**=**	**500 গ্রাম**
1 পোৱা	**=**	**250 গ্রাম**

গধুৰ বস্তুৰ ওজন জুখিবলৈ ডাঙৰ ওজন মাপক ব্যৱহাৰ কৰা হয়।



খালী ঠাই পূৰ কৰক-

- 4 কিলোগ্রাম = _____ গ্রাম
- 7000 গ্রাম = _____ কিলোগ্রাম
- 2 কিলোগ্রাম 500 গ্রাম = _____ গ্রাম

- ৰামুৰ এখন পথাৰত 312 কিলোগ্রাম আলু আৰু দ্বিতীয়খন পথাৰত 236 কিলোগ্রাম আলুৰ খেতি হ'ল। ৰামুৰ মুঠতে কিমান কিলোগ্রাম আলু উৎপাদন হ'ল ?

_____

- হৰিয়ে 495 কি.গ্রা. চাউলৰ পৰা 292 কিলোগ্রাম চাউল বেচিলে। হৰিৰ ওচৰত এতিয়া কিমান চাউল বাকী থাকিল?

- 5 কি.গ্রা. ঘেঁহুৰ দাম 100 টকা হ'লে 25 কি.গ্রা ঘেঁহুৰ মূল্য কিমান হ'ব?




- 25 কি.গ্রা. ঘেঁহু কিনিবলৈ আপুনি কেনেকুৱা ধৰণৰ নোট দিব আৰু কিমান দিব ?

পূৰ্ণিমাই শাক পাচলি কিনিবলৈ বজাৰলৈ গ'ল। হিচাপ কৰি কওক তেওঁ মুঠতে কিমান টকাৰ শাক-পাচলি কিনিলে ?

ক্ৰম.	পাচলিৰ নাম	মূল্য (প্ৰতি কি. গ্রা)	কিমান কিনিলে (পৰিমাণ)	কিমান টকা দিলে
1	আলু	20 টকা	2 কি. গ্রা.	
2	পিয়াঁজ	15 টকা	1 কি. গ্রা.	
3	বিলাহী	25 টকা	3 কি. গ্রা.	
4	পানীলাউ	10 টকা	500 গ্রা.	
			মুঠ টকা	

শিক্ষকলৈ নির্দেশনা- শিকাৰুসকলক সজাগ কৰিব যাতে তেওঁলোকে দোকানৰপৰা বস্তু কিনোতে দোকানীৰ পৰা বিল লয় আৰু সেই বিলৰ বিষয়ে আলোচনা কৰক। যদি তেওঁলোকে কিনা বস্তুবোৰৰ ওজন কম হৈছে যেন অনুভৱ হয় তেন্তে তেওঁলোকে দোকানীজনৰ তৰ্জ্জুখনত পুনৰ জুখি চাব পাৰে। যদিহে দোকানীজনৰ ওজন মাপক নিৰ্ধাৰিত মানৰ নহয়, তেওঁলোক জোখ-মাখ বিভাগত অভিযোগ দাখিল কৰিব পাৰে। ৰাষ্ট্ৰীয় উপভোক্তা ৰাটছ্আপ হেল্পলাইন নং 8800001915 ত বাৰ্তা প্ৰেৰণ কৰিব পাৰিব।

■ জুলীয়া বস্তুৰ জোখ-মাখ -




মনত ৰাখিব

1 কিলোলিটাৰ = 1000 লিটাৰ

1 লিটাৰ = 1000 মিলিলিটাৰ

আধা লিটাৰ = 500 মিলিলিটাৰ



■ যোগ কৰক -

425 লিটাৰ + 223 লিটাৰ = _____

512 লিটাৰ + 327 লিটাৰ = _____

■ বিয়োগ কৰক -

999 লিটাৰ − 322 লিটাৰ = _____


556 লিটাৰ − 235 লিটাৰ = _____

- ৰমেনে প্ৰথমদিনা 132 লিটাৰ আৰু দ্বিতীয়দিনা 242 লিটাৰ গাখীৰ বিক্ৰী কৰিলে। ৰমেনে মুঠতে কিমান লিটাৰ গাখীৰ বিক্ৰী কৰিলে?

- পানীৰ টেংকি এটাত 899 লিটাৰ পানী আছিল। তাৰে 645 লিটাৰ পানী ব্যৱহাৰ কৰা হ'ল। এতিয়া টেংকিত কিমান পানী বাকী থাকিল?


- 250 মিলিলিটাৰৰ কেইটা বটলেৰে 1 লিটাৰৰ বটল এটা ভর্ত্তি কৰিব পৰা যাব?

- মিতালীক প্ৰতিদিনে 5 মিলিলিটাৰ ঔষধ চাৰিদিনৰ বাবে দিয়া হ'ল। মিতালীক 10 দিনত কিমান ঔষধৰ প্ৰয়োজন হ'ব?






নিজৰ হাতৰ আঙুলি গণনা কৰোঁ আহক-



দুয়োখন হাতত মুঠ আঙুলি **2X5=10**



12বাৰ 5 অর্থাৎ

$$12 \times 5 \text{ বা } \begin{array}{r} 12 \\ \times\ \ 5 \\ \hline \end{array}$$


পূৰণ কৰক -

1 3	1 1	1 4
× 6	× 5	× 8
———	———	———
———	———	———

- এটা চোলাত মুঠ 6 টা বুটাম আছে। তেনেকুৱা 5 টা চোলাত মুঠ কেইটা বুটাম থাকিব?

সমানে ভগাবলৈ শিকোঁ আহক -

লীলাৰ 40 বিঘা মাটি আছিল। লীলাৰ দুই সন্তান ভাইটি আৰু মাজনী। দুয়ো সন্তানৰ মাজত মাটি সমানে ভাগ হ'ল। পিছৰ প্ৰজন্মৰ মাজত মাটিৰ ভাগ কেনেদৰে হ'ব চাওঁ আহক-



- 40 ক 2 টা সমান ভাগত ভগোৱা হ'ল

  $40 \div 2 =$ ( ) $2\overline{)40}$ (

- 20 ক 4 টা সমান ভাগত ভগোৱা হ'ল

  $20 \div 4 =$ ( ) $4\overline{)20}$ (

শিক্ষকলৈ নির্দেশনা - মাটি বা অন্য বস্তুৰ ভাগ-বটোৱাৰা লৈ হৰণৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিব।

কর্ম পত্র

1. তলত দিয়া আখৰবোৰেৰে শব্দ লিখক-

ড – .....

জ – .....

শ – .....

2. সঠিক শব্দ বাছি উলিয়াই খালী ঠাই পূৰ কৰক-

শাক, একতা, ভালুক, জাহাজ


ক) .....ই পৰম বল

খ) জংঘলত .....থাকে।

গ) .....এবিধ পুষ্টিকৰ খাদ্য।

ঘ) .....পানীত চলে।

3. ছবি চাই তিনিশাৰী বাক্য লিখক-



ক) _____

খ) _____

গ) _____

4. যোগ কৰক-

741 গ্ৰাম	135 মিটাৰ	425 লিটাৰ
+ 132 গ্ৰাম	+ 232 মিটাৰ	+ 223 লিটাৰ
_____	_____	_____
_____	_____	_____

5. বিয়োগ কৰক-

735 গ্ৰাম	895 মিটাৰ	556 লিটাৰ
- 123 গ্ৰাম	- 242 মিটাৰ	- 235 লিটাৰ
_____	_____	_____
_____	_____	_____

6. খালী ঠাই পূৰ কৰক-

1. 3000 মি. = _____ কি.মি.
2. 7000 গ্ৰা. = _____ কি.গ্ৰা.
3. 4 কি.গ্ৰা. = _____ গ্ৰা.
4. কাপোৰৰ জোখ = _____ ত জোখা হয়।

7. পূৰণ কৰক-

13	15	16
× 6	× 6	× 6
_____	_____	_____

8. হৰিয়ে 495 কি.গ্ৰা চাউলৰ 345 কি.গ্ৰা. চাউল বিক্ৰী কৰিলে। হৰিৰ ওচৰত এতিয়া কিমান চাউল বাকী থাকিল?

_____

_____

আলোচনাৰ বাবে-

1. এইটো কিহৰ কেন্দ্ৰ ? 2. নাৰ্ছকেইগৰাকীয়ে কি কৰি আছে ? 3) আমি কিয় হাত ধুব লাগে ? 4) আমাৰ চৌপাশ কিয় পৰিষ্কাৰ কৰি ৰাখিব লাগে ? 5) ছবিখনত দেখা দোকান কেইখনত কি কি বিক্ৰী কৰি আছে ? 6) স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰটোত কেইটা কেঁচুৰা আছে ?




5 আহাৰ আৰু স্বাস্থ্য

শিকোঁ আহক

উ	ঊ	হ	ছ	থ	ফ	ঠ

- সময় চাবলৈ শিকা (ঘন্টা, মিনিট, চেকেণ্ড)
- সময়ৰ একক সমূহ পৰস্পৰ সলনি কৰা
- ডিজিটেল সংখ্যা চিনাক্ত কৰা আৰু লিখা

■ ছবি চাই পঢ়োঁ আহক -




মহ



ফল



ঔষধ



চাফা হাত



জাবৰ-জোঁথৰ




কচৰৎ

শিক্ষকলৈ নির্দেশনা- ওপৰত দিয়া শব্দ আৰু ছবিত আহাৰ আৰু স্বাস্থ্য সম্বন্ধীয় বিষয়বস্তু জড়িত হৈ আছে। শব্দবোৰ পঢ়িবলৈ শিকাৰুসকলক সহায় কৰক। খোৱা-লোৱা, স্বাস্থ্য আৰু চাফ-চিকুনতা সম্পর্কেও আলোচনা কৰক।

পঢ়োঁ আৰু লিখোঁ আহক-

ঊ



ঊ



ঊট মৰুভূমিৰ জাহাজ।

ঊণী কাপোৰে জাৰ কমায়।

ঊপাধি	ঊৰণ	ঊণ	ঊন্‌ষাঠি
.....	.....	.....	.....

হ



ছ



হকী ভাৰতৰ জাতীয় খেল।

ছবিখন মীনাই আঁকিছে।

হজম	মাহ	ছয়াশী	বিচনা
.....	.....	.....	.....

হ



আবুলে হুইল চেয়াৰৰ সহায়ত চলা-ফুৰা কৰে।

ছ



ছুৰেটাৰটো বৰ ধুনীয়া।

১. ..... ২. .....


হুকুম	বাহু	ছুৰী	মাছুৰৈ
.....	.....	.....	.....

থ



থৰ ভাৰতৰ এখন বিশাল মৰুভূমি।

ফ




ফৰিং এবিধ পতংগ।

১. ..... ২. .....

থগি	সাঁথৰ	ফচল	সফল
.....	.....	.....	.....

থ



থুৰীয়া এবিধ কাণত পিন্ধা অলংকাৰ।

ফ



ফূর্ত্তিত ল'ৰা ছোৱালীবোৰে নাচ-বাগ কৰিছে।

থ

ফ


থুনুক থানাক	মথুৰা	থূপ	অনাহূত
.....	.....	.....	.....

ঠ



ঠেলাগাড়ীখনত কাঠ কঢ়িয়াই আছে।

ঠ



মহৰ পৰা ৰক্ষা পাবলৈ আঁঠুৰা ব্যৱহাৰ কৰক।

ঠ

ঠ

ঠগ	বৈঠক	কঠুৰা	ঠুহা
.....	.....	.....	.....

- তলত কিছুমান শব্দ দিয়া হৈছে। প্ৰত্যেকটো শব্দতে থকা আখৰবোৰ চিনি লৈ শব্দবোৰ সঠিক ঠাইত লিখক-

থিয় ছাতি ফল ডাল কঠোৰ হাত মাছ পাঠ থাল
সাঁথৰ গোফ মহান ডাৱৰ ছিটিকা ধেনু ডালিম কথা

ছ	হ	থ	ফ	ড	ঠ
ছাতি					
মাছ					
ছিটিকা					

যুক্তাক্ষৰ

- এটা আখৰে আন এটা আখৰৰ লগত যোগ হৈ যুক্তাক্ষৰ গঠন কৰে। কিছুমান শব্দত যুক্তাক্ষৰ ব্যৱহাৰ কৰা হয়। বাকচত দিয়া শব্দবোৰৰ যুক্তাক্ষৰ চিনাক্ত কৰি তলত দিয়া শব্দবোৰৰ লগত মিলাই খালী ঠাইত লিখক-

কর্ণ দণ্ড লগ্ন ৰাস্তা আশ্বাস বিদ্ধ

বিশ্বাস	—	স্ব	আশ্বাস
বর্ণ	—	র্ণ	_____
খণ্ড	—	ণ্ড	_____
মগ্ন	—	গ্ন	_____
শুদ্ধ	—	দ্ধ	_____
বস্তা	—	স্ত	_____

যুক্তাক্ষৰ ভাঙি আৰু গঠন কৰি লিখোঁ আহক-

স + ন = স্ন	-	স্নান	স্নেহ	স্নাতক
ক + ক = ক্ক	-	বৃক্ক	পৰিপক্ক	মক্কা
চ + চ = চ্চ	-	উচ্চ	খচ্চৰ	চৌবাচ্চা
স + থ = স্থ	-	স্থল	স্থাৱৰ	ব্যৱস্থা
ল + ল = ল্ল	-	কল্লোল	দিল্লী	হিল্লোল
ত + ত = ত্ত	-	মত্ত	উত্তৰ	বৃত্ত
ন + ন = ন্ন	-	পৰিচন্ন	প্রসন্ন	অন্ন
দ + ধ = দ্ধ	-	বিদ্ধ	বুদ্ধি	শুদ্ধ
ঙ + ক = ঙ্ক	-	অঙ্ক	শঙ্কৰ	শঙ্কা

কোনো বৰ্ণৰ লগত 'য' যোগ হ'লে 'য'ৰ ৰূপ সলনি হয়। যেনে-

ক + য = ক্য - বাক্য

ত + য = ত্য - সত্য

কিছুমান বৰ্ণৰ লগত হ্ৰস্বন্ত (্) যোগ হোৱা দেখা যায়। যেনে-

ড	ড্	-	এইড্ছ
ম	ম্	-	খম্খমীয়া
প	প্	-	চুপ্চাপ

'ৰ'ৰ লগত অন্য আখৰ যোগ হ'লে 'ৰ'ৰ ৰূপ সলনি হয়। যেনে -


ৰ + ম = র্ম	-	মর্ম	কর্ম
ত + ৰ = ত্র	-	ছাত্র	পত্র
ক + ৰ = ক্র	-	বক্র	ক্রম


নিজৰ শব্দ

শিক্ষকলৈ নির্দেশনা- যুক্তাক্ষৰৰ বিষয়ে শিকাৰুসকলক জনাওক। যুক্তাক্ষৰ কিয় লিখিব লগা হয় সেই বিষয়ে আলোচনা কৰক।

ঘড়ীত সময় চাবলৈ শিকোঁ আহক -

সাধাৰণতে ঘড়ীৰ ডায়েলত 12টা সংখ্যা থাকে। সম্পূৰ্ণ ডায়েলত 60 ডাল সৰু সৰু আঁচ থাকে। প্ৰতি 5 নম্বৰ আঁচত 1 ৰপৰা 12লৈকে ক্ৰম অনুযায়ী সংখ্যা লিখা থাকে ।





দুডাল কাঁটাৰ ঘড়ী



তিনিডাল কাঁটাৰ ঘড়ী

সকলোতকৈ চুটি কাঁটাডাল ঘণ্টাৰ কাঁটা হয় । ই ঘন্টাৰ কথা সূচায়। ঘন্টাৰ কাঁটাডাল এটা সংখ্যাৰ পৰা দ্বিতীয় সংখ্যাটোলৈ যাবলৈ এক ঘন্টা লাগে। 12 ঘন্টাত এই কাঁটাডালে ডায়েলত সম্পূৰ্ণ এপাক ঘূৰে।

এদিন বা 24 ঘণ্টাত ঘন্টাৰ কাঁটাডালে ডায়েলত কেইবাৰ ঘূৰিব?


ঘন্টাৰ কাঁটাডালতকৈ দীঘল কাঁটাডাল মিনিটৰ কাঁটা। এইডাল ঘন্টাৰ কাঁটাতকৈ খৰকৈ চলে আৰু মিনিট দেখুৱায়। মিনিটৰ কাঁটাডাল এটা সংখ্যাৰ পৰা আন এটা সংখ্যা পাবলৈ 5 মিনিট সময় লাগে। এইডালে 60 মিনিটত ডায়েলত সম্পূৰ্ণ এপাক ঘূৰে।

সকলোতকৈ দীঘল কাঁটাডাল চেকেণ্ডৰ কাঁটা। এইডাল মিনিটৰ কাঁটাতকৈ খৰকৈ চলে আৰু ই চেকেণ্ড দেখুৱায়। এইডাল কাঁটাই 1 মিনিটত ডায়েলত সম্পূৰ্ণ এপাক ঘূৰে।

মিনিটৰ কাঁটাডাল 12 ত থাকোতে, ঘন্টাৰ কাঁটাডাল যিটো সংখ্যাত থাকিব, সেইটোৱেই হৈছে ঘড়ীৰ সময়। উদাহৰণস্বৰূপে, যদি ঘন্টাৰ কাঁটাডাল 3 ত থাকে আৰু মিনিটৰ কাঁটাডাল 12 ত থাকে, তেন্তে 3 টা বাজিব।



এইটো ঘড়ীত 3 টা বাজিছে



এইটো ঘড়ীত 2 বাজি 25 মিনিট গৈছে।



এইটো ঘড়ীত 5 বাজি 15 মিনিট গৈছে।

- তলত দিয়া ঘড়ী চাই খালী ঠাইত সময় লিখক-



12 বাজিছে

12:00



____ বাজিছে



____ বাজিছে



____ বাজিছে

মনত ৰাখিব 1 ঘণ্টাত 60 মিনিট।

60 মিনিট পূৰ হ'লে এক ঘণ্টা হয়। তেন্তে তিনি ঘণ্টাত কিমান মিনিট হ'ব ?

60×3 বা $\begin{array}{r} 60 \\ \times\ 3 \\ \hline \end{array}$

■ ডিজিটেল ঘড়ী-

ডিজিটেল ঘড়ীত সময় ডিজিটেল সংখ্যাত লিখা থাকে। ৰে'লৰে ষ্টেচন, মোবাইল ফোন আদিত ডিজিটেল ঘড়ী থাকে।



দহ বাজি ছাব্বিশ মিনিট



তেইছ বাজি উনচল্লিশ মিনিট

ডিজিটেল সংখ্যাবোৰ এনেধৰণৰ হয়- 0 1 2 3 4 5 6 7 8 9

ডিজিটেল সংখ্যা বেংক, ৰে'লৰে ষ্টেচন, কেলকুলেটৰ আদিত প্ৰয়োগ কৰা হয়।

তলত দিয়া ঘড়ীৰ সময় চাই খালী ঠাইত আখৰেৰে লিখক-

06:40

_____ বাজি _____ মিনিট

07:45

_____ বাজি _____ মিনিট

12:45

_____ বাজি _____ মিনিট

06:20

_____ বাজি _____ মিনিট

কর্ম পত্র

1. তলত দিয়া আখৰবোৰেৰে শব্দ লিখক-

থা .....

ফু .....

দ .....

2. সঠিক শব্দ বাচি উলিয়াই খালী ঠাই পূৰ কৰক-

থাপনা, ফৰিং, উট

ক) ..... মৰুভূমিৰ জাহাজ।

খ) নামঘৰত ..... পাতিছোঁ ।

গ) ..... এবিধ পতংগ।

3. বাকচত দিয়া শব্দবোৰৰ যুক্তাক্ষৰ চিনি লৈ সঠিক যুক্তাক্ষৰৰ শব্দৰ কাষত লিখক-

ৰক্ত	বৃদ্ধ	তিস্তা	সস্তা	বক্তা	যুদ্ধ

তক্তা	ক্ত	_____
বুদ্ধি	দ্ধ	_____
বস্তা	স্ত	_____

4. তলত দিয়া শব্দৰে বাক্য ৰচনা কৰক -

ঠিকনা- _____

বিছনী -_____

5. তলত দিয়া ঘড়ীবোৰ চাই খালী ঠাইত সময় লিখক-

(ক)		(খ)	
এই ঘড়ীটোত .....বাজিছে।		এই ঘড়ীটোত .....বাজিছে।	

6. 60 মিনিটত এঘন্টা। 3 ঘন্টাত মুঠতে কিমান মিনিট হ'ব?

_____

_____

_____

7. খালী ঠাই পূৰ কৰক-

(ক)	10:26 ..... বাজি .....মিনিট	(খ)	07:45 ..... বাজি .....মিনিট

8. খালী ঠাই পূৰ কৰক-

ক) মিনিটৰ কাঁটাডাল এটা সংখ্যাৰ পৰা আনটো সংখ্যা পাবলৈ ..... মিনিট সময় লাগে।

খ) 24 ঘন্টাত ঘন্টাৰ কাঁটাডাল ঘড়ীৰ ডায়েলত ..... বাৰ ঘূৰে।


আলোচনাৰ বাবে-

1. ছবিখনত কি দেখুওৱা হৈছে ? **2.** কিমান বয়সৰ পৰা ভোটদানৰ অধিকাৰ পোৱা যায় ? **3.** বৃত্তটোৰ ভিতৰত থকা মহিলাগৰাকীৰ হাতত থকা কার্ডখন কিহৰ কার্ড? **4.** ভোটদান কৰা মেচিনটোৰ নাম কি ? **5.** ছবিখনত কেইজন নিৰাপত্তাৰক্ষী আছে ? **6.** ভোটকেন্দ্রটোৰ নম্বৰ কিমান?





আপোনাৰ ভোটদান গণতন্ত্রৰ প্রাণ



6 ভোটদান

শিকোঁ আহক


ঘ	ধ	ঢ	ঢ়	ক্ষ

- সময়ৰ জোখমাখ ব্যৱহাৰ কৰা (12 আৰু 24 ঘন্টীয়া ঘড়ী)
- কেলেণ্ডাৰ, সময় তালিকা আৰু ৰে'লৰ টিকটত দিয়া তথ্যৰ বিষয়ে জনা

■ ছবি চাই পঢ়োঁ আহক -



ভোটদান কেন্দ্র



ভোটদান



ভোটাৰ পৰিচয় পত্র



ই.ভি.এম.মেচিন



নির্বাচনী বিষয়া



ভোটদাতা

শিক্ষকলৈ নির্দেশনা- শিকাৰুসকলক এখন এখনকৈ সকলো ছবি চিনাক্ত কৰিবলৈ দিয়ক। ছবিৰ সৈতে মিলাকৈ শব্দ দিয়া হৈছে। শব্দবোৰত আঙুলি থৈ পঢ়িবলৈ ক'ব।


পঢ়োঁ আৰু লিখোঁ আহক-

ঘ



ঘড়ীটোত কেইটা বাজিছে?

ধ



অৰ্জুন ধনু বিদ্যাত পাকৈত।

ঘ

ধ

ঘৰ	সঘন	ধতুৰা	বলধ .....

ঢ



ঢোল পেঁপা গগণা, অসম আমাৰ ধুনীয়া।

ঢ়

পঢ়াই পঢ়ে ৰোৱে পাণ
এই তিনিয়ে নিচিন্তে আন।

ঢ

ঢ়

ঢকুৰা	ঢেঁকীয়া	বাঢ়নি	বুঢ়ী
.....	.....	.....	.....

ক্ষ



বুঢ়ীআয়ে বাবুক ৰাক্ষসৰ সাধু কয়।

ক্ষমা	ভক্ষক	শিক্ষা	পৰীক্ষা
.....	.....	.....	.....

■ মনোযোগেৰে চাওক, পঢ়ক আৰু আলোচনা কৰক-



এৰি আমাৰ সকলো কাম,
প্ৰথমে কৰোঁ ভোটদান





নিজৰ শব্দ

24 ঘন্টীয়া ঘড়ী

24 ঘন্টাৰে এদিন সম্পূৰ্ণ হয়। সাধাৰণতে আমি 12 ঘন্টীয়া ঘড়ীত সময় চাওঁ। ইয়াৰ কাঁটাই এদিনত গোটেই ঘড়ীটো দুবাৰকৈ ঘূৰে। এক ঘূৰণত 12 ঘন্টা সম্পূৰ্ণ কৰি আকৌ দ্বিতীয় ঘূৰণ আৰম্ভ হয়। এই ঘড়ীটোত সময়ৰ সৈতে মিলাকৈ দুপৰীয়াৰ আগত (ৰাতিপুৱা AM) আৰু দুপৰীয়াৰ পিছত (সন্ধিয়া PM) লিখিব লাগে। আনহাতে 24 ঘন্টীয়া ঘড়ীয়ে মাজনিশা 12 বজাৰপৰা দিনটোৰ সম্পূৰ্ণ 24 ঘন্টাৰ সময়ৰ বিষয়ে কয়। 24 ঘন্টীয়া ঘড়ীত সন্ধিয়া 5 বজাক 17.00 বজা বুলি দেখুওৱা হয় আৰু ৰে'লৱে ষ্টেচন, বিমান বন্দৰ আদি ঠাইত এনে ঘড়ীৰ ব্যৱহাৰ হয়।

শিক্ষকলৈ নির্দেশনা- ভোটদানৰ বিষয়ে আলোচনা কৰক। শিকাৰুসকলক এই বিষয়ত 3-4 টাকৈ শব্দ লিখিবলৈ দিয়ক। এই শব্দবোৰ শিকাৰুৰ নিজৰ ভাষাত হ'ব পাৰে।

24 ঘন্টীয়া ঘড়ীত দুপৰীয়া 12 বজাৰ পিছত 5 বজাক 17 বজা (12ৰ লগত 5 যোগ কৰি বা 12 ৰ পৰা 5 ঘন্টা পিছত) লিখা হয়।



▪ 24 ঘন্টীয়া ঘড়ীৰ সময়ক 12 ঘন্টীয়া সময়লৈ সলনি কৰক-



4 বাজি 15 মিনিট







▪ সময় তালিকা

নৰেনে কপিলী ইন্টাৰচিটীত নগাঁও ষ্টেচনপৰা গুৱাহাটী ষ্টেচনলৈ যাত্রা কৰিব। এই ৰে'লগাড়ীখনৰ সময় তালিকা 24 ঘন্টীয়া ঘড়ীৰ হিচাপত দিয়া হৈছে।

12424 কপিলী ইন্টাৰচিটীৰ সময় তালিকা

ক্র.নং	ষ্টেচনৰ নাম	ষ্টেচন পোৱাৰ সময়	ষ্টেচন এৰাৰ সময়	দূৰত্ব (কিলোমিটাৰত)
1.	নগাঁও	_____	13.30	_____
2.	চাপৰমুখ	14:00	14:05	26
3.	জাগীৰোড	15:10	15:20	45
4.	গুৱাহাটী	16:30		56

এতিয়া কপিলী ইন্টাৰচিটীৰ সময় তালিকা চাই কওক -


- চাপৰমুখৰ পৰা গুৱাহাটী ষ্টেচনলৈ দূৰত্ব কিমান কিলোমিটাৰ?

.....

- জাগীৰোড ষ্টেচনৰপৰা গুৱাহাটী ষ্টেচনলৈ কিমান দূৰ?

.....

আহকচোন, নৱেনৰ ৰে'লগাড়ীৰ টিকটৰ নমুনা চাওঁ-



প্রস্থানৰ ষ্টেচন

টিকটৰ নমুনা

- ৰে'লগাড়ীখনৰ নম্বৰ কিমান?
- নগাঁৱৰপৰা গুৱাহাটী ষ্টেচনলৈ টিকটৰ মূল্য কিমান?

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক 24 ঘন্টীয়া ঘড়ী আৰু 12 ঘন্টীয়া ঘড়ীৰ সময় ক'বলৈ উৎসাহিত কৰক, লগতে 24 ঘন্টীয়া ঘড়ীৰ সময় 12 ঘন্টীয়া ঘড়ীৰ সময়লৈ সলনি কৰিবলৈ শিকাওক। ৰে'লৱেৰ সময় তালিকা ব্যৱহাৰ কৰি অনুশীলন কৰিবলৈ দিব ।

কেলেণ্ডাৰ

বছৰত বাৰ মাহ থাকে । কোনো কোনো মাহ 30 দিনীয়া আৰু কোনো মাহ 31 দিনীয়া হয়। ফেব্রুৱাৰী মাহটো 28 বা 29 দিনীয়া হয়। বছৰটোৰ প্ৰথম মাহ জানুৱাৰী আৰু শেষৰ মাহ ডিচেম্বৰ। এবছৰত 365 দিন থাকে। যিটো বছৰত ফেব্রুৱাৰী মাহটো 29 দিনীয়া হয়, সেই বছৰটো 366 দিনীয়া হয়। 366 দিনীয়া বৰ্ষটোক অধিবৰ্ষ বা লিপ্ ইয়েৰ বুলি কোৱা হয় ।

2024

জানুৱাৰী

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
	1	2	3	4	5	6
7	8	9	10	11	12	13
14	15	16	17	18	19	20
21	22	23	24	25	26	27
28	29	30	31			

ফেব্রুৱাৰী

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
				1	2	3
4	5	6	7	8	9	10
11	12	13	14	15	16	17
18	19	20	21	22	23	24
25	26	27	28	29		

মাৰ্চ

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
					1	2
3	4	5	6	7	8	9
10	11	12	13	14	15	16
17	18	19	20	21	22	23
24	25	26	27	28	29	30
31						

এপ্ৰিল

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
	1	2	3	4	5	6
7	8	9	10	11	12	13
14	15	16	17	18	19	20
21	22	23	24	25	26	27
28	29	30				

মে'

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
			1	2	3	4
5	6	7	8	9	10	11
12	13	14	15	16	17	18
19	20	21	22	23	24	25
26	27	28	29	30	31	

জুন

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
						1
2	3	4	5	6	7	8
9	10	11	12	13	14	15
16	17	18	19	20	21	22
23	24	25	26	27	28	29
30						

জুলাই

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
	1	2	3	4	5	6
7	8	9	10	11	12	13
14	15	16	17	18	19	20
21	22	23	24	25	26	27
28	29	30	31			

আগষ্ট

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
				1	2	3
4	5	6	7	8	9	10
11	12	13	14	15	16	17
18	19	20	21	22	23	24
25	26	27	28	29	30	31

ছেপ্তেম্বৰ

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
1	2	3	4	5	6	7
8	9	10	11	12	13	14
15	16	17	18	19	20	21
22	23	24	25	26	27	28
29	30					

অক্টোবৰ

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
		1	2	3	4	5
6	7	8	9	10	11	12
13	14	15	16	17	18	19
20	21	22	23	24	25	26
27	28	29	30	31		

নৱেম্বৰ

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
					1	2
3	4	5	6	7	8	9
10	11	12	13	14	15	16
17	18	19	20	21	22	23
24	25	26	27	28	29	30

ডিচেম্বৰ

দেও	সোম	মঙ্গল	বুধ	বৃহঃ	শুক্ৰ	শনি
1	2	3	4	5	6	7
8	9	10	11	12	13	14
15	16	17	18	19	20	21
22	23	24	25	26	27	28
29	30	31				

তলত 2024 চনৰ ফেব্রুৱাৰী মাহৰ কেলেণ্ডাৰ খন দিয়া হৈছে, সেইখন পূৰ কৰিব—

দেওবাৰ	সোম	মঙ্গল	বুধ	বৃহস্পতি	শুক্ৰ	শনি
				1		3
	5		7		9	
			14			17
18				22		
				29		

কেলেণ্ডাৰ চাই কওঁ আহক -

- এইটো মাহত কেইটা দেওবাৰ আছে?
- 17 ফেব্রুৱাৰীত কি বাৰ ?
- ফেব্রুৱাৰীৰ চতুৰ্থটো শনিবাৰ কি তাৰিখ ?
- 19 ফেব্রুৱাৰী সোমবাৰ হ'ব নেকি ?

শিক্ষকলৈ নির্দেশনা - শিকাৰুসকলক কেলেণ্ডাৰৰ সহায়ত কেনেকৈ দুটা দিনৰ মাজৰ দিনবোৰ হিচাপ কৰিব পাৰি সেই সম্পৰ্কে অৱগত কৰিব ।

কর্ম পত্র

1. তলত দিয়া আখৰবোৰেৰে শব্দ লিখক-

ঘ – .....

ক্ষ – .....

ঢ – .....

ধ – .....

2. তলত দিয়া সঠিক শব্দৰ সহায়ত বাক্য সম্পূর্ণ কৰক-

ক) ..... লিখা শিকক। (দৌৰা /পঢ়া)

খ) ..... আমাৰ অধিকাৰ। (ভোটদান / শ্রমদান)

গ) ভোটৰ সহায়ত ..... শক্তিশালী হ'ব। (গণতন্ত্র / ৰাজতন্ত্র)

3. ছবি চাই তিনিশাৰী বাক্য লিখক-



ক) _____

খ) _____

গ) _____

4. খালী ঠাই পূৰ কৰক-

ক) .....ঘন্টাই এক দিন।

খ) ঘন্টাৰ কাঁটাডালে এদিনত গোটেই ঘড়ীটোত ..... পাক ঘূৰে।

5. 24 ঘন্টীয়া ঘড়ীত দেখুওৱা সময়ক 12 ঘন্টীয়া ঘড়ীৰ সময়লৈ সলনি কৰক-

ক) 16:15 - _____ বাজি_____ মিনিট

খ) 13:10 - _____ বাজি_____ মিনিট

6. ৰে'লগাড়ীৰ টিকটৰ নমুনা চাই খালী ঠাই পূৰ কৰক-



ক) ৰে'লগাড়ীখনৰ নম্বৰটো কিমান? _____

খ) ছিট্ নম্বৰ কিমান? _____


7. খালী ঠাই পূৰ কৰক-

ক) .....মাহে এবছৰ।

খ) এবছৰত .....দিন থাকে।

আলোচনাৰ বাবে-

1. ছবিখনত কি কি দেখিছে ? **2.** টকা পইচা লেনদেনৰ বাবে আপোনালোকে ক'লৈ যায় ? **3.** ছবিখনত এটা এ টি এম দেখুওৱা হৈছে। এ টি এমৰ জৰিয়তে কি কাম কৰা হয় ? **4.** ছবিখনত ক'লা কোট পৰিহিত কেইজন লোক আছে ? **5.** ক'লা কোট পৰিহিত লোককেইজন কি বৃত্তিৰ লগত জড়িত ? **6.** দোকানখনত মোবাইল লোৱা মানুহজনে কি কৰিছে ?




7 আইনী আৰু বিত্তীয় সাক্ষৰতা

শিকোঁ আহক

ঋ ণ ঞ য় ঙ ৎ ঃ

- বেংক সমন্ধীয় প্ৰ-পত্ৰ পঢ়া, বুজা আৰু পূৰাবলৈ শিকা
- এ.টি. এম. , ভীম এপ
- মোবাইল, চাইবাৰ সম্বন্ধীয় তথ্য

ছবি চাই পঢ়োঁ আহক -



আৰক্ষী থানা



আদালত



বেংক



আইন



অধিবক্তা



এ.টি. এম. কার্ড

শিক্ষকলৈ নির্দেশনা- শিকাৰুসকলক এখন এখনকৈ ছবি চিনাক্ত কৰিবলৈ দিয়ক। আইন আৰু বেংক সম্বন্ধীয় আন শব্দ ক'বলৈ আৰু লিখিবলৈ উৎসাহিত কৰক।

পঢ়োঁ আৰু লিখোঁ আহক-

ঋ



ণ



ঋষভ নামে এজন ঋষি আছিল।

নেতাজনে ভাষণ দি আছে।

ঋ


ণ

ঋতু	ঋষি	কাণ	শাওণ
.....	.....	.....	.....

ঞ



য়



আটাইতকৈ সৰু আঙুলিটো হ'ল কেঞা আঙুলি।

জয়াৰ মকৰালৈ বৰ ভয়।

গঞা	চিঞৰ	নিয়ৰ	বয়স
.....	.....	.....	.....

ঙ





নাঙল

বেঙেনা

জোঙা	আঙুঠি	ৰঙা	অঙঠা
.....	.....	.....	.....

৯



নিয়মিত কচৰৎ কৰা স্বাস্থ্যৰ বাবে উপকাৰী ।

১০



উঃস বৰ গৰম !

হঠাৎ	উৎস	দুঃখিত	ক্রমশঃ
.....	.....	.....	.....

নিজৰ শব্দ

শিক্ষকলৈ নির্দেশনা- আইন সম্বন্ধীয় বিভিন্ন বিষয় আলোচনা কৰক। শিকাৰুসকলৰ লগত আলোচনা কৰি আইন বিষয়ক 3-4 টা শব্দ লিখক। এই শব্দবোৰ নিজৰ ঘৰুৱা ভাষাটো হ'ব পাৰে। যেনে- মামলা, কেচ আদি।

পঢ়োঁ আহক-

তলত বিত্তীয় সাক্ষৰতা আৰু বেংকৰ লগত জড়িত কিছুমান গুৰুত্বপূৰ্ণ কথা দিয়া হৈছে, সেইখিনি পঢ়ি লওক-

বিত্তীয় সাক্ষৰতাৰ - অৰ্থ কি ?

- টকা-পইচা আৰু খৰছৰ লেনদেনৰ মাজৰ তথ্য বুজা।
- সঞ্চয়ৰ প্ৰতি সজাগ হোৱা।

আপুনি কি কৰিব পাৰিব ?

- জমা আৰু খৰছৰ পৰা নিজকে বচাই ৰাখক।
- অপ্ৰয়োজনীয় খৰছৰ পৰা নিজকে বচাই ৰাখক।
- সঞ্চয়ৰ অভ্যাস কৰক।
- বেংক নাইবা ডাকঘৰত একাউন্ট খোলক।
- আপোনাৰ ধনৰাশিক উপযুক্ত স্থানত জমা ৰাখক।

বিত্তীয় সাক্ষৰতাৰ জৰিয়তে কেনেকৈ লাভবান হয় ?

- আহিবলগীয়া খৰচৰ প্ৰতি আমি আগতীয়াকৈ সাজু থাকিব পাৰোঁ।
- খৰচ নিয়ন্ত্ৰনত ৰাখিব পাৰোঁ।
- সাৱধানতাৰে খৰচ কৰিব পাৰোঁ।
- নিজৰ প্ৰয়োজনীয়তাখিনি চিনাক্ত কৰিব পাৰোঁ।

বেংকত একাউন্ট খোলাৰ লাভ -

- আপুনি আপোনাৰ ধনৰাশি সুৰক্ষিত ৰূপত বেংকত জমা ৰাখিব পাৰিব।
- জমাধনৰ ওপৰত সুত পোৱা যায়।
- প্ৰয়োজনত জমাৰাশি উলিয়াব পাৰি।

বেংকত একাউন্ট খুলিবলৈ তলত দিয়া তথ্যসমূহৰ প্ৰযোজন -


- ফটো
- আধাৰ কার্ড
- ভোটাৰ কার্ড
- পেন কার্ড
- বিজুলীৰ বিল
- ঘৰৰ ঠিকনা

বেংকত একাউন্ট খোলাৰ পাচত আপুনি কি কি লাভ কৰিব ?

- চেক্ বুক
- পাছবুক
- এ.টিম.এম. কার্ড


- চেক্ পূৰাবলৈ শিকোঁ আহক -

- বেংক একাউন্টৰ পৰা টকা উলিয়াবলৈ অথবা আনৰ লগত টকাৰ লেনদেনৰ কাৰণে চেক্ প্ৰয়োগ কৰিব পাৰি। ছবি চাই চেক্খন পূৰোৱাৰ অভ্যাস কৰক -




চেক্ৰ ছবি

- ৰবিনে 7300/- টকাৰ চেক্ ৰুবীক দিব। চেক্খন পূৰণ কৰোতে ৰবিনক সহায় কৰক -



- টকা জমা কৰা প্ৰ-পত্ৰ পূৰাবলৈ শিকোঁ আহক -


- বেংক একাউন্টত টকা জমা কৰিবলৈ হ'লে এখন জমা প্ৰ-পত্ৰ পূৰাব লাগে। ছবিখন চাই জমা প্ৰ-পত্ৰখন বুজক-



টকা জমা কৰা প্ৰ-পত্ৰ

- মদনে বেংকত 1700/- টকা জমা কৰিব বিচাৰিছে। টকা জমা কৰা প্ৰ-পত্ৰখন পূৰাবলৈ মদনক সহায় কৰক-


টকা জমা কৰা প্ৰ-পত্ৰ



■ টকা উলিওৱা প্ৰ-পত্ৰ পূৰাবলৈ শিকোঁ আহক -


❑ বেংক একাউন্টত যেনেকৈ পইচা জমা কৰিবলৈ হ'লে এখন প্ৰ-পত্ৰ পূৰণ কৰিব লাগে, ঠিক তেনেকৈ বেংক একাউন্টৰ পৰা টকা উলিয়াবলৈয়ো এখন প্ৰ-পত্ৰ পূৰাব লাগে। ছবিখন চাই প্ৰ-পত্ৰখন বুজক-

টকা উলিওৱা প্ৰ-পত্ৰ



❑ কাকলিয়ে বেংকৰ পৰা 2000/- টকা উলিয়াব লাগে। টকা উলিওৱা প্ৰ-পত্ৰখন পূৰাবলৈ কাকলিক সহায় কৰক।

টকা উলিওৱা প্ৰ-পত্ৰ



■ এ.টি.এম. কার্ডৰ বিষয়ে জানো আহক-

এ.টি.এম. কার্ড বেংকৰ পৰা টকা উলিওৱা আৰু জমা কৰাৰ বাবে ব্যৱহৃত এখন ইলেকট্রনিক কার্ড, যাৰ জৰিয়তে যেতিয়াই তেতিয়াই নগদ টকা উলিয়াব পাৰি আৰু বেংকৰ একাউন্টৰ সবিশেষ জানিব পাৰি। টকা লেনদেনৰ লগত জড়িত যিকোনো সমস্যা সমাধানৰ ক্ষেত্রত কেৱল বেংকৰ লগত যোগাযোগ কৰা উচিত। এ.টি.এম. কার্ডৰ জৰিয়তে টকা উলিয়াবলৈ এ.টি. এম. নামৰ মেচিন ব্যৱহাৰ কৰা হয়।





মনত ৰাখিবলগীয়া-

চেক্ৰ ম্যাদ 3 মাহলৈ বৈধ হয়। চেক্ কেৱল বেংকৰ পাচবুকৰ গৰাকীকহে দিয়া হয়। কেতিয়াও কাৰো লগত তলৰ বিষয়সমূহ সহভাগ নকৰিব।

1. অ.টি.পি. (O.T.P.)
2. পিন (PIN)
3. চি.ভি.ভি. (CVV)
4. পাচবুকৰ লগত সম্পর্কিত তথ্য

কে. ওৱাই. চি. (K.Y.C) (Know your customer) কি ?

কে. ওৱাই, চি. হৈছে এটা প্রক্রিয়া, যাৰ জৰিয়তে বেংকে কোনো ব্যক্তিৰ পৰিচয় আৰু ঠিকনা লিপিবদ্ধ কৰে। এতিয়া আধাৰ কার্ডৰ জৰিয়তেও কে. ওৱাই, চি. (KYC) কৰিব পাৰে।

কে. ওৱাই, চি.ৰ কাৰণে প্রয়োজনীয় নথি-

1. পেন কার্ড
2. বিজুলীৰ বিল
3. আধাৰ কার্ড
4. ঘৰৰ ঠিকনা

ভীম এপ (BHIM App)

ভীম এপ (BHIM App) হৈছে টকা-পইচা লেনদেনৰ এটা মোবাইল এপ । ইয়াক ই-পেমেন্ট বুলিও কোৱা হয়। ইয়াত আপুনি নিজৰ মোবাইলৰ জৰিয়তে টকা-পইচাৰ লেনদেন কৰিব পাৰিব।

- দূৰৈত থকা কোনো ব্যক্তিলৈ টকা পঠিয়াব পাৰিব।
- ল'ৰা-ছোৱালীৰ স্কুলৰ মাচুল দিব পাৰিব।
- বিজুলী, ফোনৰ বিল আদি আদায় দিব পাৰিব।
- সামগ্ৰী কিনোতে দোকানীক পইচা দিব পাৰিব।
- লোনৰ কিস্তি দিব পাৰিব।



পোনপ্ৰথমে আপুনি নিজৰ মোবাইলত ভীম এপটো ডাউনলোড কৰি ইনষ্টল কৰিব লাগিব। ইয়াত আপুনি হিন্দী ভাষাৰ লগতে 12 টা ভাৰতীয় ভাষাতো কাম কৰিব পাৰিব। এই এপৰ জৰিয়তে আপুনি ভাৰতীয় ষ্টেট বেংকৰ লগতে অন্য 30 টা ভাৰতীয় বেংক একাউন্টৰো প্ৰয়োগ কৰিব পাৰিব।




(উৎস ঃ http://www.npcl.org/www.npcl.org.in/
https//www.npcl.org.in/product-overview/bhim-product-overview)


■ মোবাইলৰ অন্য কিছুমান প্ৰয়োজনীয় ব্যৱহাৰ-


- এছ. এম. এছৰ দ্বাৰা খবৰ পঠোৱা হয়।
- কেলকুলেটৰৰ যোগেদি আমি হিচাপ কৰিব পাৰোঁ।
- আমি ঘড়ীত এলার্ম দিব পাৰোঁ।
- কেলেণ্ডাৰ চাব পাৰোঁ।
- আমি খোজ কাঢ়োঁতে কিমান দূৰলৈ খোজ কাঢ়িলোঁ তাৰ দিক্ নির্ণয় কৰিব পাৰোঁ।
- মোবাইলৰ দ্বাৰা অনলাইনত পঢ়িব পাৰোঁ। ইয়াত কিছুমান বিশেষ এপ্লিকেচন থাকে, যিবোৰ আমি শ্ৰেণীকোঠাত সংলগ্ন কৰিব পাৰোঁ, যেনে- জুম মিটিং, গুগল মীট, মাইক্ৰছফট্ টীমছ ইত্যাদি। এইবোৰ এপ্লিকেচন ব্যৱহাৰ কৰিবলৈ আগতে নিজে পঞ্জীকৃত হ'ব লাগে।
- জি পি এছৰ ব্যৱহাৰৰ জৰিয়তে সঠিক দিশ তথ্য ৰাস্তাৰ দিশ নির্ণয় কৰিব পাৰি।
- বিভিন্ন প্ৰকাৰৰ খেল খেলিব পাৰি।
- সামাজিক মাধ্যম ব্যৱহাৰ কৰিব পাৰি।
- ৰেডিঅ' শুনিব পাৰি।
- নিজৰ কথাখিনি ৰেকর্ড কৰিব পাৰি। গান গাই, কাহিনী কৈ ভিডিঅ' প্ৰস্তুত কৰিব পাৰি।
- তাপমাত্ৰাৰ বিষয়ে গম পাব পাৰি।
- বাছ, ৰে'ল, আকাশীযান আদিৰ টিকট কাটিব পাৰি। হোটেলৰ কোঠা বুকিং কৰিব পাৰি।
- ওচৰে-পাঁজৰে থকা হোটেল, চিকিৎসালয়, স্কুল, ৰে'ল ষ্টেছন, পার্ক আদিৰ ঠিকনা চাব পাৰি।

■ চাইবাৰ সম্বন্ধীয় তথ্য-






















শিক্ষকলৈ নির্দেশনা ঃ ওপৰত দিয়া ছবিবোৰৰ মাধ্যমেৰে শিকাৰুসকলক চাইবাৰ সুৰক্ষাৰ বিষয়ে অৱগত কৰাওক। শিকাৰুসকলৰ লগত 'নেটিকেট' (ইণ্টাৰনেট শিষ্টাচাৰ)ৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰক।

কর্ম পত্র

1. তলত দিয়া আখৰবোৰেৰে শব্দ লিখক -

ঋ _ .....

ণ _ .....

য় _ .....

ঙ _ .....

2. তলত দিয়া শব্দবোৰেৰে বাক্য ৰচনা কৰক-


ঋষি- _____

পূর্ণিমা-_____

জয়- _____

ৰঙ- _____

3. ছবি চাই তিনিশাৰী বাক্য লিখক-



ক) _____


খ) _____

গ) _____

4. আপুনি 7300/- টকাৰ চেক্ এখন ৰুবিক দিব লাগে। চেক্খন পূৰণ কৰক-



5. আপুনি বেংকৰ পৰা 2000/- টকা উলিয়াব লাগে। টকা উলিওৱা প্র-পত্রখন পূৰ কৰক -



অসমীয়া বর্ণমালা

অ আ ই ঈ
উ ঊ ঋ
এ ঐ ও ঔ

ক খ গ ঘ ঙ
চ ছ জ ঝ ঞ
ট ঠ ড ঢ ণ
ত থ দ ধ ন
প ফ ব ভ ম
য ৰ ল ৱ
শ ষ স হ
ক্ষ ড় ঢ় য়
ৎ ং ঃ ঁ

অসমীয়া সংখ্যা —

১	২	৩	৪	৫	৬	৭	৮	৯	১০
১১	১২	১৩	১৪	১৫	১৬	১৭	১৮	১৯	২০
২১	২২	২৩	২৪	২৫	২৬	২৭	২৮	২৯	৩০
৩১	৩২	৩৩	৩৪	৩৫	৩৬	৩৭	৩৮	৩৯	৪০
৪১	৪২	৪৩	৪৪	৪৫	৪৬	৪৭	৪৮	৪৯	৫০
৫১	৫২	৫৩	৫৪	৫৫	৫৬	৫৭	৫৮	৫৯	৬০
৬১	৬২	৬৩	৬৪	৬৫	৬৬	৬৭	৬৮	৬৯	৭০
৭১	৭২	৭৩	৭৪	৭৫	৭৬	৭৭	৭৮	৭৯	৮০
৮১	৮২	৮৩	৮৪	৮৫	৮৬	৮৭	৮৮	৮৯	৯০
৯১	৯২	৯৩	৯৪	৯৫	৯৬	৯৭	৯৮	৯৯	১০০

সকলোৰে বাবে শিক্ষাৰ উদ্দেশ্যে উল্লাস–নৱ ভাৰত সাক্ষৰতা কার্যসূচীৰ অধীনত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ বাবে যুগুতোৱা শিকন ফলাফলসমূহ

বুনিয়াদী সাক্ষৰতাৰ শিকন ফলাফলসমূহ

এই কার্যসূচীৰ জৰিয়তে -

1) শিকাৰুসকলে বর্ণসমূহৰ আকাৰ আকৃতিৰ বিষয়ে জনাৰ লগতে বর্ণমালাৰ ধ্বনিৰ বিষয়ে ধাৰণা কৰিব পাৰিব।

2) শিকাৰুসকলে আখৰবোৰ চিনি পাব পৰা হ'ব আৰু ছবি চাই শব্দবোৰো চিনিব পাৰিব।

3) স্বৰবর্ণ আৰু ব্যঞ্জনবর্ণসমূহ চিনি পাব। মাত্রা চিহ্নৰ ধাৰণা আয়ত্ত কৰিব পাৰিব।

4) যিকোনো পাঠত থকা শব্দবোৰ পঢ়ি উঠি তাত পুনঃ পুনঃ ব্যৱহাৰ হোৱা শব্দবোৰ বাচি উলিয়াব পাৰিব।

5) শিকাৰুসকলে আখৰ জোঁটাই শব্দবোৰ পঢ়িব পৰা হ'ব।

6) শিকাৰুসকলে ক্রমান্বয়ে শব্দবোৰ সলসলীয়াকৈ পঢ়িব পৰা হ'ব।

7) পাঠৰ বিভিন্ন ঠাইত ব্যৱহৃত ছবি বা প্রসংগসমূহৰ আধাৰ বা প্রয়োজনবোৰ বোধগম্য হ'ব।

8) ছবি চাই পঢ়া, শব্দ চিনাক্ত কৰি পঢ়া, শব্দবোৰ বুজি পঢ়া ইত্যাদি বিভিন্ন ধৰণৰ বুনিয়াদী সাক্ষৰতাৰ প্রায়োগিক দিশ আয়ত্ত কৰিব পাৰিব।

9) শিকাৰুসকলে তেওঁলোকৰ চৌপাশত দেখা শব্দ, বাক্যবোৰ পঢ়িব পৰা হৈ উঠিব।

10) কথাবতৰা তথা আলোচনাৰ মাধ্যমেৰে শিকাৰুসকলক উত্থাপন কৰা বিভিন্ন বিষয় বা প্রসংগত ব্যৱহৃত শব্দ, বাক্যবোৰৰ সৈতে অভিযোজিত হ'ব পাৰিব।

11) দেৱাল লিখন, বাতৰি কাকত, ডিজিটেল বোর্ড আদিত দেখা শব্দ আৰু বাক্যবোৰ পঢ়িবলৈ সক্ষম হ'ব ।

12) আলোচনাৰ জৰিয়তে শিকা নির্দিষ্ট বিষয়বোৰৰপৰা শিকাৰুসকলৰ কৌতুহল জন্মিব আৰু নিজে অনুসন্ধান কৰিবলৈ শিকিব।

13) শিকাৰুসকলৰ প্রয়োজন আৰু ৰাপ অনুসৰি কাৰো সহায় নোলোৱাকৈ শব্দ লিখিব পাৰিব।

14) মৌখিকভাবে আৰু লিখিতভাৱে সোধা প্রশ্নসমূহৰ উত্তৰ দিব পৰা হৈ উঠিব।

15) আধৰুৱা বাক্য সম্পূর্ণ কৰি পঢ়িব আৰু লিখিব পৰা হ'ব। বাক্য লিখা আৰু পঢ়াৰ ক্ষেত্রত অসুবিধা নাইকিয়া হ'ব।


16) শিকাৰুসকলে দৈনন্দিন জীৱনত পঢ়া আৰু লিখা - দুয়োটা অর্হতাৰে প্রয়োগ কৰিব পৰা হৈ উঠিব।


17) সদৌ শেষত শিকাৰুসকলে নিজৰ ভাষাটো বা এই কার্যসূচীৰ মাধ্যমেৰে শিকি উঠা ভাষাটো বুজি পঢ়িব, লিখিব আৰু ক'ব পৰা হৈ উঠিব।


সাংখ্যিকতাৰ শিকন ফলাফলসমূহ


এই কার্যসূচীৰ জৰিয়তে শিকাৰুসকলে-

1) দৈনন্দিন জীৱনৰ প্ৰেক্ষাপটত 1 ৰ পৰা 10,000 লৈকে সংখ্যাবোৰ পঢ়িব আৰু লিখিব পাৰিব।
2) অংকবোৰত 1 ৰ পৰা 999লৈকে একক, দহক আৰু শতক চিনাক্ত কৰিব পাৰিব।
3) সমান "=", যোগ '+', বিয়োগ '-', পূৰণ 'x' আৰু হৰণ '÷'ৰ বাবে ব্যৱহাৰ হোৱা চিহ্ন চিনাক্ত কৰিব পাৰিব আৰু এই গাণিতিক অৰ্হতাসমূহ তেওঁলোকৰ দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব পাৰিব।
4) 1, 2, 5, 10, 20, 50, 100, 200 আৰু 500 টকাৰ নোট/মুদ্ৰা চিনাক্ত কৰি লেনদেন কৰিব পাৰিব।
5) দৈনন্দিন জীৱনৰ বিভিন্ন প্ৰসংগত বস্তু, স্থান আদিৰ সমান অংশত ভাগ কৰিব পৰা, সমান অংশৰ আধাৰত আধা, চাৰিভাগৰ এভাগ বা এক চতুৰ্থাংশ আৰু চাৰিভাগৰ তিনিভাগ বা তিনি চতুৰ্থাংশ চিনাক্ত কৰিব পাৰিব। লগতে আধা, এক-চতুৰ্থাংশ আৰু তিনি-চতুৰ্থাংশক ভগ্নাংশ হিচাপে লিখিব পাৰিব।
6) ত্ৰিভুজ, বৰ্গ, বৃত্ত আৰু গোলক, বেলন, শংকু, ঘনক, আয়তীয় ঘনক আদি ত্ৰিমাত্ৰিক আকৃতিৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰা আৰু এই জ্ঞান দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিব পাৰিব।
7) অপ্ৰামানিক আৰু প্ৰামানিক এককত দৈৰ্ঘ্য, ভৰ আৰু জুলীয়া বস্তুৰ জোখ ল'ব পাৰিব আৰু সেই এককসমূহৰ মাজত থকা সম্পৰ্কসমূহ ব্যাখ্যা কৰিব পাৰিব।
8) ঘড়ী (এনালগ আৰু ডিজিটেল) চাই ঘণ্টা, মিনিট আৰু চেকেণ্ডৰ হিচাপত সময় ক'ব পাৰিব আৰু ঘণ্টা, মিনিট আৰু চেকেণ্ডৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিব পাৰিব।
9) 24 ঘণ্টীয়া ঘড়ীৰ পৰা 12 ঘণ্টীয়া ঘড়ীৰ আৰ্হিলৈ সময় ৰূপান্তৰ কৰিব পাৰিব।
10) তেওঁলোকৰ জীৱনৰ প্ৰেক্ষাপটত কেলেণ্ডাৰ চাই সপ্তাহৰ দিন, বছৰৰ মাহ আৰু বিশেষ অনুষ্ঠানৰ দিন চিনাক্ত কৰিব পাৰিব।


নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী
উল্লাস
আদিপাঠ, প্ৰথম ভাগ
অ আ 1 2
+ -
ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম


নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী
উল্লাস
আদিপাঠ, দ্বিতীয় ভাগ
অ আ 1 2
+ -
ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম


নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী
উল্লাস
আদিপাঠ, তৃতীয় ভাগ
অ আ 1 2
+ -
ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম


নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী
উল্লাস
আদিপাঠ, চতুৰ্থ ভাগ
ৰাজ্যিক সাক্ষৰতা কেন্দ্ৰ, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
অ আ 1 2
+ -



এতিয়া পাৰোঁ পঢ়া লিখা
হিচাপত নকৰো ভুল
কম্পিউটাৰটো যদি শিকিব পাৰোঁ
নহয় আৰু গণ্ডগোল



পঢ়িম মই
আগবাঢ়ি যাম মই
আত্মনির্ভৰ ভাৰতৰ
সপোন
দিঠক কৰিম মই